সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৩২ সংখ্যা, ২৬ শাওন , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.32 Date Of Publication - 11 August 2024 Rs.10.00/-

## বাংলাদেশত নিৰ্যাতিত হিন্দুক লৈ কংগ্ৰেছৰ নীৰৱ ভূমিকাক তীব্ৰ সমালোচনা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বাংলাদেশৰ পৰিস্থিতিৰ প্ৰসংগত কংগ্ৰেছক লৈ আক্ৰমণাত্মক হৈ পৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। বাংলাদেশৰ পৰিস্থিতিৰ প্ৰসংগত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে বাংলাদেশৰ পৰিস্থিতি বৰ্তমান চিন্তনীয়। অৱশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাংলাদেশ চৰকাৰৰ লগত ডিপ্লমেটিক লেভেলত কথা-বতৰা পাতি বাংলাদেশত হিন্দু নাগৰিকৰ ওপৰত চলা অত্যাচাৰ বন্ধৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিব। এই প্ৰসংগতে কংগ্ৰেছৰ ভূমিকাক তীব্ৰ সমালোচনা কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে কংগ্ৰেছ দল আৰু প্ৰিয়ংকা গান্ধীয়ে গাজাৰ পৰিস্থিতিক লৈ বিগত দুই-তিনি মাহ ধৰি যিমান টুইট কৰিছে, প্ৰতিবাদ কৰিছে তাৰ বিপৰীতে বাংলাদেশক লৈ সম্পূৰ্ণ নীৰৱে আছে। বাংলাদেশত হিন্দুৰ ওপৰত চলা অত্যাচাৰক লৈ কংগ্ৰেছ দল আৰু প্ৰিয়ংকা গান্ধীয়ে এটাও শব্দ উচ্চাৰণ কৰা নাই। গাজাৰ পৰিস্থিতিক লৈ সঘনাই টুইট কৰা, ধৰ্ণা দিয়া কংগ্ৰেছে বাংলাদেশত হিন্দুৰ ওপৰত চলা অত্যাচাৰক লৈ কোনো টুইট কৰা নাই, কোনো মাত মতা নাই। মুছলমানৰ সমস্যা হ'লে কংগ্ৰেছ দলে মাত মাতে, প্ৰতিবাদ কৰে। কিন্তু হিন্দুৰ সমস্যা হ'লে কংগ্ৰেছে কোনোধৰণৰ মাত নামাতে। বাংলাদেশত হিন্দু মৰি গ'লেও কংগ্ৰেছে এবাৰো নাকান্দে। বাংলাদেশৰ হিন্দু নাগৰিকসকলক ভাৰতে ল'ব নোৱাৰে বুলি স্পষ্ট কৰি দি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাইকয় যে ১-২ কোটি লোকক ভাৰতে ল'ব নোৱাৰে। বাংলাদেশতে তেওঁলোকক নিৰাপত্তাসহ ৰখাৰ ব্যৱস্থা কৰিব।

(দহ পৃষ্ঠাত চাওক)

## অসমত কোনো বাংলাদেশীক সোমাবলৈ দিয়া নহ'বঃ জি পি সিং

ৰঙিলী বাৰ্ত্তাসেৱা- অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে এক অনুষ্ঠানত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে, অসম আৰক্ষীয়ে বাংলাদেশত সৃষ্টি হোৱা ৰাজনৈতিক অস্থিৰতাৰ অজুহাতত অসমত যাতে কোনো বাংলাদেশীয়ে অবৈধভাবে প্ৰৱেশ কৰিব নোৱাৰে তাৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিছে । আৰক্ষীৰ সঞ্চালকপ্ৰধানগৰাকীয়ে কয় যে বাংলাদেশৰ ৰাজনৈতিক অস্থিৰতাৰ ফলত সৃষ্ট পৰিৱেশৰ



পিছৰে পৰা আমি যথেষ্ট সক্ষম হৈ আছোঁ। এই সন্দৰ্ভত ঘটনাটো সংঘটিত হোৱাৰ দিনাই কেন্দ্ৰীয় গৃহ সচিবৰ সৈতে বিএছএফ আৰু অসম আৰক্ষীৰ লগতে চুবুৰীয়া

(দহ পৃষ্ঠাত চাওক)

## সম্পাদকীয় শিতান....

## বৰষুণ বনাম অপৰাধ

দেৱাশীষ গোস্বামী



আচহুৱা শিৰোনামেই ইতিমধ্যে ব্যক্ত কৰিছেই আমাৰ কেউদিশৰ বৰ্তমানৰ পৰিৱেশ আৰু পৰিস্থিতি। প্ৰখৰ ৰ'দ, সহ্যাতীত গৰম, এজাক বতাহৰ বাবে চাৰিওফালে হাঁহাকাৰ, তেনেস্থলতে বোলে হঠাৎ আকাশ খন ওন্দোলাই আহি কলহৰ কাণে ঢলা বৰষুণত তেনেই বিপৰ্যস্ত জনজীৱন। অলপ দিনৰ পৰা সকলোৱে মন কৰিছে যে সময় নাই অসময় নাই হঠাৎ অহা বৰষুণ জাকে সকলোকে জ্বলা কলা খুৱাইছে। এই দুৰ্গতি একমাত্ৰ প্ৰকৃতিৰ ওপৰত চলোৱা অত্যাচাৰৰ ফল। মানৱজাতিয়ে বিভিন্ন ধৰণৰ আচিলালৈ যি ধ্বংসযজ্ঞ আৰম্ভ কৰিছে তাৰ ফলত প্ৰকৃতিয়ে নিজৰ ভাৰসাম্যতা হেৰুৱাই পেলাইছে। প্ৰাকৃতিক ভাৰসাম্যহীনতাৰেই ফচল আজি আমাৰ চৌদিশৰ বিভিন্ন প্ৰাকৃতিক দুৰ্য্যোগ সমূহ। হঠাৎ অহা বৰষুণ যাকে যেনেদৰে ৰাইজৰ থৰকা চুটি হেৰুৱাই পেলাইছে তাৰ সমান্তৰাল ভাৱে ঘটি থকা অপৰাধ সমূহে সৰ্বসাধাৰণ ৰাইজক আহি মধুশুধন সোৱাৰইছে। প্ৰায় প্ৰত্যেকদিনাই ৰাজ্যৰ বিভিন্ন প্ৰান্তত সংঘটিত হৈ থকা বিভিন্ন অপৰাধ সমূহে বিকাশৰ জয়ঢোল কোবাই থকা চৰকাৰ খনৰ অপৰাধ দমন তথা সকলো ফালৰ পৰা সুৰক্ষিত এখন সমাজ প্ৰদানত দৃষ্টিকটু ভাৱে বিফল হোৱা ছবিখনে সকলোকে বাৰুকৈয়ে ভবাই তুলিছে তথা সকলোৰে মনত ভয়-শংকাৰ

(দহ পৃষ্ঠাত চাওক)

## ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক টিমোৰ লেষ্টেৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- টিমোৰ- লেষ্টেৰ সৰ্বোচ্চ অসামৰিক সন্মান 'গ্ৰেণ্ড কলাৰ অৱ দ্য অৰ্ডাৰ অৱ টিমোৰ-লেষ্টে'ৰে বিভূষিত কৰা হৈছে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক। টিমোৰ-লেষ্টেৰ ৰাষ্ট্ৰপতি জোছ ৰামোছ হটাই ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক এই সন্মান আনুষ্ঠানিকভাৱে প্ৰদান কৰে। ৰাজহুৱা সেৱা, শিক্ষা, সমাজসেৱা আৰু মহিলা সবলীকৰণৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক এই বঁটাৰে

(দহ পৃষ্ঠাত চাওক)

# পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বুদ্ধদেৱ ভট্টাচাৰ্যৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বুদ্ধদেৱ ভট্টাচাৰ্য আৰু নাই। ৮০ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ বুদ্ধদেৱ ভট্টাচাৰ্যৰ। আজি পুৱা প্ৰায় ৮.২০ বজাত পাম এভিনিউৰ ঘৰত শেষ নিশ্বাস ত্যাগ কৰে প্ৰাক্তন মুখ্যমন্ত্ৰী গৰাকীয়ে। বুদ্ধদেৱ ভট্টাচাৰ্যৰ পুত্ৰ সুচেতন ভট্টাচাৰ্যই তেওঁৰ মৃত্যুৰ খবৰ দিয়ে। ২০০০ চনৰ পৰা ২০১১ চনলৈ বংগৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্বত থকা নেতাগৰাকীৰ মৃত্যুত কেৱল বংগতেই নহয় দেশৰ বাওঁপন্থী শিবিৰত গভীৰ শোকৰ ছাঁ পৰিছে। চি পি আই এমৰ বৰ্ষীয়ান নেতাগৰাকী দীৰ্ঘদিন ধৰি বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ আছিল। এই বাৰ্ধক্যজনিত কাৰণতে তেওঁৰ কলকাতাত মৃত্যু হয়। জানিব পৰা মতে ভট্টাচাৰ্য নিউমোনিয়াত আক্ৰান্ত আছিল। হাওঁফাওঁ আৰু শ্বাসনালীৰ গুৰুতৰ সংক্ৰমণ ধৰা পৰিছিল তেওঁৰ দেহত। দীৰ্ঘদিন ধৰি ক্ৰনিক অবষ্ট্ৰাক্টিভ পালমোনাৰী ডিজিজ (COPD) ৰোগতো আক্ৰান্ত আছিল তেওঁ। উল্লেখ্য যে, বুদ্ধদেৱ ভট্টাচাৰ্যই ১৯৭৭ চনৰ পৰা ১৯৮২ চনলৈ কাশীপুৰ-বেলগাছিয়াৰ বিধায়ক আছিল। ১৯৭৭ চনৰ পৰা ১৯৮২ চনৰ ভিতৰত বুদ্ধদেৱ ভট্টাচাৰ্যই পশ্চিম বংগৰ মন্ত্ৰীসভাত তথ্য আৰু জনসংযোগ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল বুদ্ধদেৱ ভট্টাচাৰ্যই। কিন্তু কাশীপুৰ সমষ্টিৰ পৰা ১৯৮২ চনৰ বিধানসভা নিৰ্বাচনত পৰাস্ত হৈছিল বুদ্ধদেৱ (দহ পৃষ্ঠাত চাওক)

# ব্ৰাজিলত সংঘটিত হৈছে এক ভয়ংকৰ বিমান দুৰ্ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ আন এক বিমান দুৰ্ঘটনা। ব্ৰাজিলত সংঘটিত হৈছে এক ভয়ংকৰ বিমান দুৰ্ঘটনা। চাও পাওলো চহৰৰ জনবসতিপূৰ্ণ অঞ্চলত দুৰ্ঘটনাগ্ৰস্ত হয় এখন যাত্ৰীবাহী বিমান। ব্ৰাজিলৰ আঞ্চলিক বিমান সংস্থাৰ তথ্য অনুসৰি বিমানখনত ৫৭ জন যাত্ৰী আৰু চাৰিজন ক্ৰু মেম্বাৰে মুঠ ৬১গৰাকী লোক আছিল। বিষয়াসকলে জনোৱা মতে, বিমানখনে নিয়ন্ত্ৰণ হেৰুৱাৰ ফলত সংঘটিত হয় দুৰ্ঘটনাটো। দুৰ্ঘটনাটোৰ ফলত স্থানীয় কনড'মিনিয়াম কমপ্লেক্সৰ এটা আৱাস ক্ষতিগ্ৰস্ত হোৱাৰ বিপৰীতে কোনো বাসিন্দা হতাহত হোৱা নাই। দুটা ইঞ্জিনযুক্ত বিমানখন পাৰানা ৰাজ্যৰ কাস্কাভেলৰ পৰা চাও পাওলো আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ অভিমুখে ৰাওনা হৈছিল।

# মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানত ব্যৰ্থতাৰ বিৰুদ্ধে আপৰ প্ৰতিবাদ



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানত চৰকাৰৰ ব্যৰ্থতাৰ বিৰুদ্ধে আম আদমী পাৰ্টিৰ বহুসংখ্যক নেতা, কৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। আপৰ নেতা ৰমেন বৰঠাকুৰ আৰু অনুৰূপা ডেকা-ৰজাৰ নেতৃত্বত দলৰ কৰ্মী সকলে কৃত্ৰিম বানে যাতায়াত অচল কৰা ৰুক্মিণী গাঁৱত উপস্থিত হৈ ৰাজ্য চৰকাৰৰ লগতে গুৱাহাটী পৌৰ নিগমৰ ব্যৰ্থতাৰ বিৰুদ্ধে ক্ষোভ উজাৰে। আপৰ নেতা ৰমেন বৰঠাকুৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক পৌৰ নিগমৰ নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰি গুৱাহাটীৰ বান সমস্যা অবিলম্বে সমাধান কৰিবলৈ দাবী জনায়। আনহাতে, গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ ক্ষেত্ৰত চৰম ব্যৰ্থতাৰ পৰিচয় দিয়া মন্ত্ৰী অশোক সিংহলৰ ক'লা পানী আৰু ৰঙা পানীৰ মন্তব্যৰ তীব্ৰ সমালোচনা কৰে বৰঠাকুৰে। তেওঁ কয়, (দহ পৃষ্ঠাত চাওক)

# দৰঙত লোক কল্যাণ দিৱস পালন



ৰঙিলী বাৰ্ত্তাসেৱা- দৰঙৰ জিলা পুথিভঁৰালত লোক কল্যাণ দিৱস পালন কৰা হয়। ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু বাৰ্ষিকী উপলক্ষে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি দৰঙৰ জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে বিশিষ্ট স্বাধীনতা সংগ্ৰামী তথা স্বাধীন অসমৰ প্ৰথমগৰাকী (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত মুখ্যমন্ত্ৰী নিযুত মইনা আচঁনিৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্য্যসূচীত অংশগ্ৰহণ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ

ৰঙিলী বাৰ্ত্তাসেৱা-কন্যাৰ উচ্চ শিক্ষাৰ বাট সুনিশ্চিত কৰি সৱলীকৰণৰ দিশে আগুৱাই নিবলৈ আৰু বাল্য বিবাহৰ দৰে কুসংস্কাৰ ৰোধেৰে এক সুৰক্ষিত ভৱিষ্যত গঢ় দিয়াৰ লক্ষ্যৰে ১০ লাখ ছাত্ৰীক সাঙুৰি ৮ আগষ্ট তাৰিখে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুভাৰম্ভ কৰা "মুখ্যমন্ত্ৰীৰ নিযুত মইনা আচঁনি"ৰ প্ৰ-পত্ৰ বিতৰণ উপলক্ষে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে অসম চৰকাৰৰ পঞ্চায়ত ও গ্ৰামোন্নয়ন, খাদ্য, ৰাজহুৱা বিতৰন আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী তথা ডিব্ৰুগড় জিলাৰ অভিভাৱক মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে। কাৰ্যসূচীত ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° জিতেন হাজৰিকা, অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) সংঘমিত্ৰা বৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোনোৱাল, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰিষদৰ গুৰু ড° সুৰজিৎ বৰকটকী প্ৰমুখ্যে বিশ্ববিদ্যালয়খনত অধ্যয়নৰত স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰীসকল। "মুখ্যমন্ত্ৰীৰ নিযুত মইনা আচঁনি"ৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কয় যে, নাৰীৰ উচ্চ শিক্ষা লাভৰ ক্ষেত্ৰত তথা বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি ৰোধ কৰাত এই আচঁনিখন যথেষ্ট ফলপ্ৰসু পৰিগণিত হব। তেওঁ পুনৰ কয় যে বহু দৰিদ্ৰ পৰিয়ালৰ মেধাবী কন্যা সন্তানে কেৱল অৰ্থৰ অভাৱত আধাতে শিক্ষা সাং কৰিবলগীয়া হয় তেনে ক্ষেত্ৰত অসম চৰকাৰৰ এই অভিলাষী এই আচঁনিখন সেইসকল ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ লগতে সুৰক্ষিত ভৱিষ্যত গঢ়াত যথেষ্ট সহায়ক হ'ব। আনহাতে, নাৰী সৱলীকৰণৰ ক্ষেত্ৰত এনে এক আচঁনি প্ৰৱৰ্তন কৰাৰ বাবে তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ ধন্যবাদ



জ্ঞাপন কৰে। উক্ত অনুষ্ঠানতে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে তিনিগৰাকী ছাত্ৰীলৈ আনুষ্ঠানিকভাবে "মুখ্যমন্ত্ৰীৰ নিযুত মইনা আচঁনি"ৰ প্ৰ-পত্ৰ বিতৰণ কৰে। ইয়াৰ পাছতে, মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে বানীপুৰস্থিত সম্প্ৰাসৰণ কেন্দ্ৰ, ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ প্ৰশিক্ষণ কেন্দ্ৰ আৰু অতিথি গৃহৰো শুভ-উদ্বোধন কৰে।

# মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ আইনী সজাগতা সভা সম্পন্ন




ৰঙিলী বাৰ্ত্তাসেৱা- জিলা আইন সেৱা প্ৰাধিকৰণ, মাজুলীৰ সৌজন্যত আজি মাজুলী জেংৰাইমুখৰ ইভিঅ'ন পাব্লিক স্কুলত এখন আইনী সজাগতা সভা সম্পন্ন হয়। এই আইন সজাগতা সভাত বাল্য বিবাহ প্ৰতিৰোধী আইন ২০০৬, শিশু যৌন নিৰ্যাতন আইন ২০১২, শিশু শ্ৰমিক প্ৰতিৰোধী আইন সম্পৰ্কত বিস্তৃত ভাবে আলোচনা কৰি উপস্থিত ৰাইজ তথা ছাত্ৰ ছাত্ৰী সকলক সজাগ আৰু সচেতন কৰাৰ প্ৰচেষ্টা চলাই। সভাত জিলা আইন সেৱা প্ৰাধিকৰণৰ তৰফৰ পৰা উপস্থিত থাকে মাজুলী জিলাৰ মুখ্য আইন সহায়ক প্ৰতিৰক্ষা অধিবক্তা বোধেশ্বৰ পামেগাম, বিভাগৰ কাৰ্যালয়ৰ বাৰ্তাবাহক তাৰিনি গাম, অৰ্ধ আইন সেৱিকা নীভাৰানী পেগু সোনোৱাল আৰু বিদ্যালয়খনিৰ শিক্ষাগুৰু সকল। ছাত্ৰ ছাত্ৰীৰ আশানুৰূপ উপস্থিতিত অনুষ্ঠিত সভাখনিত মাজুলী জিলাৰ মুখ্য আইন সহায়ক প্ৰতিৰক্ষা অধিবক্তা বোধেশ্বৰ পামেগামে ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্যি উল্লেখ কৰা আইন কেইখনৰ সকলো দিশ পুংখানুপুংখভাবে আলোকপাত কৰি বাল্য বিবাহৰ ভয়াবহতা আৰু শিশু যৌন নিৰ্যাতনৰ পৰা ল'ব লগা সাৱধানতা সম্পৰ্কে বিস্তৃত ভাবে ব্যাখ্যা কৰাৰ লগতে আইনৰ ধাৰা আৰু ইয়াৰ শাস্তি সমূহ বিতং ভাবে উল্লেখ কৰে। ইয়াৰ উপৰিও শিশু শ্ৰমিক প্ৰতিৰোধী আইন সম্বন্ধীয় ব্যৱস্থা সম্পৰ্কে পৰ্যালোচনা কৰাৰ লগতে ড্ৰাগছৰ সেৱন আৰু ইয়াৰ ভয়াবহতা সম্পৰ্কেও বহল ভাবে ছাত্ৰ ছাত্ৰী সকলক বুজায় আৰু এই বিষয় সমূহ তেওঁলোকৰ বাবে অত্যন্ত সময়োপযোগী তথা অতি প্ৰয়োজনীয় বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। জিলা আইন সাহায্য প্ৰাধিকৰণে আইন সম্পৰ্কীয় এনে

(দহ পৃষ্ঠাত চাওক)

# জাতীয় মহিলা পৰিষদে সমস্য সন্দৰ্ভত স্মাৰক পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীক



ৰঙিলী বাৰ্ত্তাসেৱা- অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদৰ চাৰী গৰাকী মহিলা ক্ৰমে সভানেত্ৰী ৰেনু দেউৰী, সহ-সম্পাদিকা লক্ষীপ্ৰভা চক্ৰৱৰ্তী, ৰাজ্যিক সভানেত্ৰী বিনিতা কুমাৰী আৰু কেন্দ্ৰীয় কমিটীৰ সদস্যা ৰিনা বৰুৱা কলিতা, কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্য্যালয়ত উপস্থিত হৈ আজি চৰকাৰী চিকিৎসালয়ৰ বিভিন্ন পৰীক্ষা নিৰীক্ষা মাচুল বৃদ্ধিৰ লগতে দৈনন্দিন ব্যৱহাৰ্য্য নিত্য আৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ সন্দৰ্ভত এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

# "বিশ্ব স্তনপান সপ্তাহ" -২০২৪

ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰতি বছৰে ১ আগষ্টৰ পৰা ৭ আগষ্টলৈকে- এই সপ্তাহটোক "বিশ্ব স্তনপান সপ্তাহ" হিচাপে পালন কৰি অহা হৈছে। ইয়াৰ উদ্দেশ্য হৈছে স্তন্যপানৰ উপকাৰিতাৰ বিষয়ে মাতৃ গৰাকীক আৰু ঘৰখনৰ আন ব্যক্তিসকলক সজাগ কৰি শিশুটিক স্বাস্থ্যৱান কৰি গঢ়ি তোলা। বিষয়টোৰ প্ৰতি গুৰুত্ব ৰাখি যোৱা ১ আগষ্ট ২০২৪ তাৰিখে



গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ, কমিউনিটি মেডিচিন বিভাগৰ উদ্যোগত উলুবাৰীস্ত নগৰীয়া স্বাস্থ্য কেন্দ্ৰত সপ্তাহ যোৱা কাৰ্যসূচীৰে "বিশ্ব স্তনপান সপ্তাহ" উদ্যাপনৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষত, এই বাৰৰ বিষয় বস্তু "ক্লজিং দ্য গেপ: সকলোৰে বাবে স্তনপানৰ সহযোগিতা" ৰ বিষয়ে সজাগতাৰ হেতু সপ্তাহ জোৰা এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এইবাৰৰ বিষয়বস্তুৰ সম্পৰ্কে এক সাৰুৱা ভাষণ প্ৰদান কৰে কমিউনিটি মেডিচিন বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ যুতিকা ওজা ই। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী ছাত্ৰ ছাত্ৰীৰ লগতে নৱজাতক/ নৱজাতিকাৰ সহিতে কেইবাগৰাকীও মাতৃ উপস্থিত থাকে। মাতৃসকলক স্তন্যপানৰ উপকাৰিতাৰ বিষয়ে আলোচনা কৰাৰ উপৰিও স্বাস্থ্য সম্পৰ্কীয় কিছু উপহাৰ প্ৰদান কৰা হয়। কমিউনিটি মেডিচিন বিভাগৰ সহযোগী অধ্যাপিকা ডাঃ স্বাপনা শৰ্মা, সহকাৰী অধ্যাপিকা ডাঃ মেহজেবিন হাইদৰ হাজৰিকা, ড° পাহাৰী গগৈ, মেডিকেল বিষয়া ডাঃ অপৰূপা চৌধুৰী আৰু ড° অঞ্জনা ময়ী শইকীয়াৰ উপস্থিতিৰে অনুষ্ঠান সুচাৰুৰূপে পৰিচালনা কৰা হয়।

# শুৱালকুছিত প্ৰয়াত ৰিতম পুথিভঁৰালৰ বৰ্ষপূৰ্তি অনুষ্ঠান




ৰঙিলী বাৰ্ত্তাসেৱা- শুৱালকুছিৰ শ্ৰী শ্ৰী শংকৰদেৱ ধামত অনুষ্ঠিত হোৱা ৰিতম কলিতাৰ তৃতীয় বাৰ্ষিক স্মৃতিচাৰণ সভা আৰু ৰিতম পুথিভঁৰালৰ বৰ্ষপূৰ্তি অনুষ্ঠান ৭ আগষ্টত অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কবি নিলিম কুমাৰ। সভাখনত সভাপতিত্ব কৰে বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্য, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰৱক্তা ড° পৰশমণি দাস, পূৱ বংশৰ মহাবিদ্যালয়ৰ প্ৰৱক্তা ড° ধ্ৰুৱজ্যোতি মালাকৰ। সভাৰ আৰম্ভণিতে কস্তুৰী মেধিৰ সুমধুৰ এটি গীতেৰে সভা আৰম্ভ কৰা হয়। পুৱাৰ ভাগত বহুতো অনুষ্ঠান হৈ যায় বুলি সঞ্চালক বিকাশ কলিতাই জানিবলৈ দিয়ে।

# মুখ্যমন্ত্ৰীৰ পৃষ্ঠপোষকতাত মহানগৰীত কেন্দ্ৰীয়ভাৱে আয়োজন মহাপুৰুষ শংকৰদেৱ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ

ৰঙিলী বাৰ্ত্তাসেৱা- শ্ৰীশ্ৰী ৰাজহুৱা সত্ৰৰ ভাতৃ সংগঠন শঙ্কৰ-মাধৱ সাংস্কৃতিক সমন্বয় সমাজৰ উদ্যোগত ২৭ অক্টোবৰত অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা, একশৰণ হৰিনাম ধৰ্মৰ প্ৰৱৰ্তক, সৰ্বগুণাকৰ, শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ মহানগৰীত কেন্দ্ৰীয়ভাৱে উদযাপন কৰা হ'ব। ঐক্য, সংহতিৰে সকলো জাতি জনগোষ্ঠীক লৈ বৰ অসমৰ ভেটি সুদৃঢ় কৰা মহাপুৰুষ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱৰ লগত সংগতি ৰাখি অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানত ৫ হাজাৰ গায়ন-বায়ন, নামতিয়ে গুৰুজনাৰ অমূল্য সৃষ্টিৰাজি বৰগীত, ঘোষানাম, হোলীগীত, থিয়নাম, সত্ৰীয়া নৃত্য, অংকীয়া নাট আদি পৰিৱেশন কৰিব। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত হ'বলগীয়া উক্ত কাৰ্যসূচীৰ বাবে ইতিমধ্যে প্ৰস্তুতি তুংগত কৰিছে উদ্যোক্তাসকলে। মহানগৰীৰ কুমাৰপাৰাস্থিত শ্ৰীশ্ৰী ৰাজহুৱা সত্ৰৰ মুখ্য সেৱক সনাতন দাস বাপ, শঙ্কৰ-মাধৱ সাংস্কৃতিক সমন্বয় সমাজৰ কাৰ্যকৰী সভাপতি মৃদুল কুমাৰ মেধি আৰু কাৰ্যকৰী সম্পাদক কমল কুমাৰে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি কাৰ্যসূচী সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰিব বিচৰা নামতি দল, গায়ন-বায়নসকলে ৯৮৬৪০-৮৮৮২৮, ৯৮৬৪১-



১৬৫১৩, ৯৮৬৪৬-০২১০৪ নম্বৰত যোগাযোগ কৰিবলৈ কাৰ্যলয় সম্পাদক ডিম্পী ভৰালীয়ে অনুৰোধ জনাইছে।

# অলিম্পিকত ভাৰতীয় হকী দলৰ ব্ৰঞ্জ জয়




ৰঙিলী বাৰ্ত্তাসেৰা- টকিঅ' অলিম্পিকৰ পিছত পেৰিছ অলিম্পিকতো ব্ৰঞ্জ ৰ পদক জিনিলে ভাৰতীয় পুৰুষ হকী দলটোৱে। উল্লেখ্য যে অলিম্পিকৰ হকীত একেৰাহে ভাৰতৰ এয়া আছিল দ্বিতীয়টো ব্ৰঞ্জ ৰ পদক। পেৰিছত পূৰ্ণগতিত চলি থকা বিশ্বৰ সৰ্ববৃহৎ ক্ৰীড়া মহোৎসৱখনৰ বৃহস্পতিবাৰে অনুষ্ঠিত পুৰুষ হকীৰ তৃতীয় স্থানৰ মেচখনত হৰমনপ্ৰীত সিং নেতৃত্বাধীন ভাৰতীয় দলটোৱে কঠিন প্ৰতিদ্বন্দ্বিতাৰ অন্তত স্পেইনক ২-১ গ'লত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। ছেমিফাইনেলত পৰাস্ত হৈ স্বৰ্ণ জয়ৰ স্বপ্ন ধূলিস্যাৎ হোৱা ভাৰতীয় দলটোৰ এই জয়ৰ মূলতে হ'ল অধিনায়ক হৰমন-প্ৰীতৰ দৰ্শনীয় প্ৰদৰ্শন। ১৮ মিনিটত অধিনায়ক মাৰ্ক মিৰালেছে গ'ল স্ক'ৰ কৰি স্পেইনক গুৰুত্বপূৰ্ণ অগ্ৰগতি প্ৰদান কৰে। পেনাল্টীৰ জৰিয়তে স্পেইনে গ'লটো স্ক'ৰ কৰে। ইয়াৰ কিছুসময় পিছতে ভাৰতে পেনাল্টী কৰ্ণাৰ লাভ কৰে যদিও তাক গ'ললৈ কাৰ্যকৰী কৰাত ব্যৰ্থ হয়। অৱশ্যে দ্বিতীয় কোৱাৰ্টাৰ শেষ হোৱাৰ ঠিক আগমুহূৰ্তত ভাৰতে আন এটা পেনাল্টী কৰ্ণাৰ লাভ কৰে। ৩০ মিনিটত লাভ কৰা পেনাল্টী কৰ্ণাৰটো অধিনায়ক হৰমনপ্ৰীত সিঙে গ'ললৈ কাৰ্যকৰী কৰি মেচখন ১-১ৰ সমতা স্থাপন কৰে। ইয়াৰ ঠিক তিনি মিনিট পিছতেই হৰমনপ্ৰীতে আন এক গ'ল স্ক'ৰ কৰি ভাৰতীয় দলটোক ২-১ গ'লত গুৰুত্বপূৰ্ণ অগ্ৰগতি প্ৰদান কৰে। হৰমনপ্ৰীতে দ্বিতীয়টো গ'লো পেনাল্টী কৰ্ণাৰৰ জৰিয়তে স্ক'ৰ কৰে। অন্তিম মুহূৰ্তত স্পেইনে গ'লটো পৰিশোধ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছিল যদিও ভাৰতীয় দলটোৰ গ'লৰক্ষক শ্ৰীজেশৰ দুৰ্দান্ত প্ৰদৰ্শনৰ বাবেই স্পেইনে সফলতা লাভ কৰিবলৈ সক্ষম নহ'ল। স্পেইনৰ সন্মুখত প্ৰাচীৰ হৈ পৰিছিল শ্ৰীজেশ। উল্লেখ্য যে অলিম্পিকৰ ইতিহাসত হকী ইভেন্টত ভাৰতৰ এয়া আছিল ত্ৰয়োদশ পদক। চলিত পেৰিছ অলিম্পিকত ভাৰতৰ এয়া আছিল চতুৰ্থটো ব্ৰঞ্জ ৰ পদক। আনহাতে কেৰিয়াৰৰ অন্তিমখন অলিম্পিকত ভাগ লোৱা গ'লৰক্ষক শ্ৰীজেশৰ বাবেই এই মেচখনত জয়লাভ কৰিব বিচাৰিছিল অধিনায়ক হৰমনপ্ৰীত সিঙে। ব্ৰঞ্জ ৰ পদক জয়লাভ কৰাৰ পিছত সতীৰ্থসকলে শ্ৰীজেশক গাৰ্ড অৱ অনাৰ প্ৰদান কৰে। ইফালে ব্ৰঞ্জ ৰ পদক লাভ কৰা ভাৰতীয় হকী দলক অভিনন্দন জনায় দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ সামাজিক মাধ্যমত লিখিছে- আগন্তুক প্ৰজন্ময়ো এই পদক প্ৰত্যক্ষ কৰি আনন্দ লাভ কৰিব। ভাৰতীয় হকী দলে অলিম্পিকত উজ্জ্বল যাত্ৰা অব্যাহত ৰাখিলে। একেৰাহে দুখন অলিম্পিকত ভাৰতে ব্ৰঞ্জৰ পদক লাভ কৰে। সকলোকে শুভেচ্ছা জনাইছোঁ।

# পেৰিছ অলিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন অমন শ্বেহৰাৱাটৰ

ৰঙিলী বাৰ্ত্তাসেৰা- চলিত পেৰিছ অলিম্পিকত শুকুৰবাৰে মল্লযুঁজত অমন শ্বেহৰাৱাট দেশলৈ আজুঁৰি আনিলে ব্ৰঞ্জৰ পদক। ৫৭কেজি শাখাত ভাৰতীয় মল্লযুজাঁৰু গৰাকীয়ে এই সফলতা লাভ কৰিছে। ব্ৰঞ্জৰ পদকৰ মেচখনত অমনে পুৱেৰ্টো ৰিকান প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে ১৩-৫ ব্যৱধানত বিজয় সাব্যস্ত কৰে । আনহাতে, এই বিজয়ৰ জৰিয়তে অমনে অলিম্পিকত ভাৰতৰ হৈ পদক জয় কৰা সৰ্বকনিষ্ঠ ভাৰতীয় হিচাপে পৰিগণিত হয় । পেৰিছ অলিম্পিকত এতিয়ালৈকে ভাৰতে এটা ৰূপ আৰু ৫টা ব্ৰঞ্জ




ৰ পদক লাভ কৰিছে। অমন শ্বেহৰাৱাটে এই পদক দখল কৰি আন এক ইতিহাস ৰচনা কৰিলে। ২০২৪ৰ অলিম্পিকত প্ৰথমবাৰলৈ অলিম্পিকত প্ৰৱেশ কৰিয়েই পদক অৰ্জন কৰা একমাত্ৰ ভাৰতীয় খেলুৱৈৰ খিতাপ দখল কৰিলে অমনে। উল্লেখ্য যে, ছেমি ফাইনেলত এক প্ৰত্যাহ্বানমূলক যুঁজত পৰাজয়ৰ পিচত অমনে ব্ৰঞ্জৰ পদকৰ মেচখনত প্ৰতিদ্বন্দ্বিতা কৰিছিল । ছেমি ফাইনেল মেচখনত তেওঁ ২০১৬ চনৰ ৰিঅ'অলিম্পিকৰ ৰূপৰ পদক বিজয়ী তথা প্ৰাক্তন বিশ্ব চেম্পিয়ন জাপানৰ ৰেই হিগুচিৰ মুখামুখি হৈছিল। অৱশ্যে যথেষ্ট সাহসিকতাৰে যুঁজিও হিগুচিয়ে প্ৰদৰ্শন কৰা কাৰিকৰী শ্ৰেষ্ঠতাৰ ফলত অমন ০-১০ ব্যৱধানত পৰাস্ত হৈছিল ।প্ৰতিযোগিতাখনৰ পূৰ্বে অমনে তেওঁৰ প্ৰাৰম্ভিক মেচবোৰ সহজে জয় কৰি নিজৰ দক্ষতা আৰু দৃঢ়তা প্ৰদৰ্শন কৰিছিল। তেওঁ প্ৰাক্তন ইউৰোপীয় চেম্পিয়ন মেচিডোনিয়াৰ ভ্লাদিমিৰ ইগোৰভক প্ৰাক-কোৱাৰ্টাৰ ফাইনেল বাউটত ১০-০ ব্যৱধানত নিজৰ কাৰিকৰী শ্ৰেষ্ঠতাৰে পৰাস্ত কৰিছিল । ইয়াৰ পিচত অমনে কোৱাৰ্টাৰ ফাইনেলত ১২-০ পইণ্টৰ বিশাল ব্যৱধানেৰে বিজয় সাব্যস্ত কৰিছিল । মেচখনত তেওঁ প্ৰাক্তন বিশ্ব চেম্পিয়ন তথা বিশ্ব ৰেংকিঙৰ চতুৰ্থ স্থানৰ আলবেনিয়াৰ জেলিমখান আবাকাৰভক পৰাস্ত কৰি ছেমি ফাইনেলত উপনীত হৈছিল । আনহাতে, ২১ বছৰীয়া অমন পেৰিছ গেমছত পুৰুষৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা একমাত্ৰ মল্লযোদ্ধা আছিল।

# পেৰিছত ৰূপৰ পদক অৰ্জন নীৰজ চোপ্ৰাৰ




ৰঙিলী বাৰ্ত্তাসেৰা- চলিত পেৰিছ অলিম্পিকৰ বৃহস্পতিবাৰে নিশা অনুষ্ঠিত পুৰুষৰ জেভলিনত ৰূপৰ পদক লাভ কৰে ভাৰতৰ গল্ডেন বয় জেভলিন থ্ৰ'ৱাৰ নীৰজ চোপ্ৰাই। ৮৯.৪৫ মিটাৰ থ্ৰ' কৰি দেশলৈ ৰূপৰ পদক কঢ়িয়াই আনে টকিঅ' অলিম্পিকৰ স্বৰ্ণজয়ী নীৰজে। দ্বিতীয়টো প্ৰচেষ্টাত নীৰজে ৰূপৰ পদক নিশ্চিত কৰে। প্ৰথমটোৰ লগতে অন্তিম চাৰিটা প্ৰচেষ্টাত ফাউল থ্ৰ' কৰে ভাৰতৰ নীৰজে। আনহাতে পাকিস্তানৰ প্ৰতিদ্বন্দ্বী আৰ্শ্বাদে লাভ কৰে সোণৰ পদক। তেঁও ৯২. ৯৭ মিটাৰ জেভ'লিন দলিয়াই স্বৰ্ণ পদক অৰ্জন কৰে। ইফালে, ৰূপৰ পদক জয় কৰাৰ পিছতে নীৰজক অভিনন্দন জনায় ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ৰাষ্ট্ৰপতি মুমুৰে নীৰজ চোপ্ৰাক অভিনন্দন জনাই কয় যে ভাৰতে তেওঁক লৈ গৌৰৱান্বিত। পেৰিছ অলিম্পিকত ৰূপৰ পদক জয় আৰু ইতিহাস ৰচনা কৰাৰ বাবে নীৰজক আন্তৰিক অভিনন্দন জনাইছোঁ। তেওঁ ক্ৰমাগত দুখন অলিম্পিকত স্বৰ্ণ আৰু ৰূপৰ পদক জয় কৰা প্ৰথম ভাৰতীয় খেলুৱৈ। তেওঁৰ কৃতিত্বই আহিবলগীয়া প্ৰজন্মক অনুপ্ৰাণিত কৰিব। ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও খেলুৱৈগৰাকীৰ সফলতাত অভিনন্দন জ্ঞাপন কৰে। 'নীৰজ চোপ্ৰা উৎকৃষ্ট ব্যক্তি। বাৰে বাৰে তেওঁ নিজৰ উজ্জ্বলতা দেখুৱাইছে। ভাৰত উৎফুল্লিত যে তেওঁ আন এখন অলিম্পিকত সফলতালৈ উভতি আহিছে। ৰূপ জয়ৰ বাবে তেওঁক অভিনন্দন। আগন্তুক সময়ত তেওঁ অগণন খেলুৱৈক তেওঁলোকৰ সপোন অনুসৰণ কৰিবলৈ আৰু আমাৰ দেশক গৌৰৱান্বিত কৰিবলৈ অনুপ্ৰাণিত কৰি থাকিব।'

# মল্লযুঁজৰ প্ৰি-কোৱাৰ্টাৰৰ পৰা বিদায় অংশু মালিকৰ



ৰঙিলী বাৰ্ত্তাসেৰা- চলিত পেৰিছ অলিম্পিকত বৃহস্পতিবাৰে অনুষ্ঠিত হোৱা মহিলা ফ্ৰীষ্টাইল ৫৭ কেজি মল্লযুঁজৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আমেৰিকান মল্লযুঁজাৰুৰ বিৰুদ্ধে পৰাস্ত হৈ ভাৰতীয় মল্লযুঁজাৰু অংশু মালিক । প্ৰি-কোৱাৰ্টাৰ ফাইনেল মেচখনত ২-৭ ব্যৱধানত পৰাস্ত হৈ অংশু মালিক । মহিলাৰ ৫৭ কজি ফ্ৰীষ্টাইল মল্লযুঁজৰ ১৬ ৰাউণ্ডত আমেৰিকাৰ হেলেন লুইজ মাৰৌলিছৰ হাতত ২-৭ ব্যৱধানত পৰাস্ত হয় ভাৰতীয় মল্লযুঁজাৰু অংশু মালিক । উল্লেখ্য যে ভাৰতীয় মল্লযুঁজাৰুগৰাকীয়ে তিনি বছৰ পূৰ্বেও বিশ্ব চেম্পিয়নশ্বিপৰ ফাইনেলত মাৰৌলিছৰ হাতত পৰাস্ত হৈছিল ।

# শাওণৰ অনুভৱ

**ৰাজশ্ৰী শৰ্মা**
**গোলাঘাট, দেৰগাঁও**



শাওণ অসমীয়া বৰ্ষপঞ্জীৰ চতুৰ্থ মাহ আৰু ভাৰতীয় ৰাষ্ট্ৰীয় শকাব্দৰ পঞ্চম মাহ। শাওণত ৩২ দিন থাকে। শ্ৰবণা নক্ষত্ৰৰ সূৰ্য অৱস্থানৰ বাবে এই মাহৰ নাম শ্ৰাৱণ বা শাওণ হৈছে।

হিন্দু ধৰ্ম অনুসৰি শাওণ মাহটো অতি পবিত্ৰ মাহ বুলি মনা হয় । এই মাহটো ভক্তসকলে ভগৱান শিৱৰ মাহ হিচাপে গণ্য কৰে। এই মাহটো ভগৱান শিৱৰ প্ৰিয় মাহ বুলি ধাৰণা।

শাওণ মাহ 'বৰ্ষা' ঋতুৰ সময়।এই সময়ত অসমত ধাৰাসাৰ বৰষুণ হয়। অসমৰ বহু অঞ্চল বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত হয়।অসমৰ খেতি পথাৰত ৰোৱা কঠীয়াই পোখা মেলিবলৈ আৰম্ভ কৰে আৰু ধান গছৰ পাতৰ বৰণ গাঢ় সেউজীয়া হয়। এতিয়া শাওণৰ পথাৰত বোকা-পানীৰে লুতুৰি-পুতুৰি কৃষক-ৰোৱনী । যান্ত্ৰিকতাৰ কৰা আঁতৰি, ৰ'দ-বৰষুণ নেওচি নাচি-বাগি কঠীয়া ৰোৱাত ব্যস্ত এওঁলোকে..।আঘোণত সোণ গুটি চপাবলৈ শাওণৰ পথাৰত ব্যস্ত এতিয়া কৃষক। ৰোৱনী সকলে পথাৰত নাচি বাগি বোকাৰে লুতুৰি পুতৰি হৈ ব্যস্ত গোছা ৰোৱাত।

একাঠু পানী আৰু এপল বোকাৰ মাজত ঋইছে ভুঁই ঋইছে ৰোৱনী জাকে। সেউজীয়াৰেই সপোন ৰচি আনন্দ উল্লাসৰে গাইছে গান।সৰু বৰ আঙুলিৰ পৰশেৰে ধান পুলিবোৰ বোকাত গুজি জগতখন সজাম বুলি ন-কৈ সেউজ ৰং সানি। ৰ'দ, বৰষুণক নেওচি ভুঁই ৰোৱা ৰোৱনীবোৰৰ মনত কেৱল এটাই হেঁপাহ উকা পথাৰখনক কি দৰে কৰিব পৰি সেউজীয়া যাতে জগতখন থাকিব নালাগে ক্ষুধাৰ তাৰনাত চটফটাই। এতিয়া শাওনৰ পথাৰত চহা, শাওনৰ পথাৰত এতিয়া ৰোৱনিৰ হাতে হাতে মুঠি মুঠি আশাৰ শইচ। চহাই সীৰলুৰে সপোন ৰচিছে এটি শাওণৰ কবিতাৰে । ৰোৱনীয়ে ৰচিছে সেউজীয়া, সেউজীয়া সপোন।

# স্বাধীনতা দিৱস



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

স্বাধীনতা হ'ল জন্মস্বত্ব অধিকাৰ কিন্তু সকলো দেশৰ সেই অধিকাৰ নাছিল । আমাৰ ভাৰতবৰ্ষ ১৯৪৭চনত ১৫আগষ্টত স্বাধীনতা পাই, ২০০বছৰ ইংৰাজ শাসনৰ পৰা মুক্তি লাভ কৰিছিল । ২৬ জানুৱাৰী গণতন্ত্ৰ দিৱস হিচাপে পালন কৰা হয়।আমাৰ সংবিধানৰ প্ৰস্তুত কৰা ডক্তৰ ভীম ৰাও আম্বেদকাৰ।যাক সংবিধান খনৰ পিতৃ আখ্যা দিয়া হয়। সকলো বিষয়ৰ ধনাত্মক আৰু ঋণাত্মক দিশ থাকে।কিন্তু তাৰ লগে লগে এটি দুখৰ খবৰো বৈ আছিল। আমাৰ ভাৰত বৰ্ষ দুটা ভাগত বিভক্ত হৈছিল। হিন্দু।মুছলিম আমাক ধৰ্মৰ নামত বিভক্ত কৰি যোৱা ইংৰাজৰ কূটনীতি অভিসন্ধি সফল হৈছিল। যাৰ কাৰণে এতিয়াও আমাৰ দেশ দুখনৰ মাজত শত্ৰুতা ভাব দেখা যায়। তথাপিও দেশৰ স্বাধীনতা আমাৰ চিৰকাম্য, একতাৰ মাজেৰে আগুৱাই যাব লাগিব ।

ইতিহাস চালে আমাৰ ভাৰত বৰ্ষত মুছলিম, হিন্দু, সকলোৱে ৰাজত্ব কৰিছিল। সেই সময়ত এখন দেশে আনৰ এখন দেশক আক্ৰমণ কৰিছিল।লগতে এখনে আনখন দেশক সহায়ো কৰিছিল।

ইংৰাজ সকলে প্ৰথমে ভাৰত বৰ্ষত বেহা বেপাৰৰ কাৰণে খোপনি পুতিছিল।পিছত আমাৰ দেশৰ সমাজ ব্যৱস্থা সকলো নিৰীক্ষণ কৰি কৌশলেৰে শাসন ভাৰ নিজৰ হাতলৈ নিয়ে। ইষ্ট ইণ্ডিয়া কোম্পানী নামেৰে তেওঁলোকে শাসন ভাৰ চলাই ইংলেণ্ডৰ ৰাণী এলিজা বেথে। তাৰ লগে লগে এখন এখন কৈ ভাৰত বৰ্ষৰ প্ৰায় ৰাজ্য কোম্পানীৰ অধীন হয়।

কিন্তু "ঝাপ্সী ৰাণী লক্ষ্মীবাই"ইয়াৰ বিৰোধিতা কৰে। তেওঁৰ নেতৃত্বত ১৮৫৭চনত প্ৰথম চিপাহী বিদ্ৰোহ আৰম্ভ হয়। এয়াই ভাৰতৰ প্ৰথম এগৰাকী নাৰী যিয়ে ইংৰাজৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। নিজৰ ভূমি সুৰক্ষাৰ স্বাধীনতাৰ বাবে প্ৰথমটো খোজ আগবঢ়াইছিল। "মঙ্গল পাণ্ডে, ভকত সিং"ইত্যাদি অনেক দেশপ্ৰেমিকে, স্বাধীনতাৰ কাৰণে যুজি নিজৰ প্ৰাণ হাঁহি মুখে ত্যাগ কৰিছিল। স্বদেশক মুক্ত কৰাৰ কাৰণে অনেক বীৰৰ গাঁঠা ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ ।

অহিংসাৰ পূজাৰী মহাত্মা গান্ধীৰ অহিংসা আন্দোলন। অসহযোগ, দাণ্ডি যাত্ৰা ইত্যাদি দেশ খন ইংৰাজৰ হাতৰ পৰা মুক্ত কৰাৰ কাৰণে আন্দোলন চলাই ।আমাৰ অসমৰ লোক সকলেও এই আন্দোলনত ভাগ লয়।"কনকলতা, ভোগেশ্বৰ ফুকননি, কুশল কোঁৱৰ" ইত্যাদি অনেক আই অসমীৰ সন্তানে দেশৰ বাবে শ্বহীদ হয়।

"স্বাধীনতা" শব্দ-টোত লুকাই থাকে এখন দেশ সুখ সমৃদ্ধি সম্প্ৰীতিৰ আভাষ পোৱা যায়। জনগণৰ জাতীয় সংহতি সুদৃঢ়, দৰিদ্ৰতাৰ মুক্তি, শিক্ষিত উন্নয়নশীল ৰাষ্ট্ৰ এখন গঢ়ি তুলিবলৈ প্ৰয়াস কৰা। স্বাধীনতা বুলি ক'লে এখন দেশৰ দেশৰ কুটীৰ শিল্পবোৰৰ প্ৰগতি, অস্পৃশ্যতা দূৰী কৰণ, মাদক দ্ৰব্যৰ নিবাৰণ এশ এবুৰী সমস্যাৰ সমাধান। প্ৰগতিশীল চিন্তাধাৰা আগবঢ়াই নিবলৈ চেষ্টা কৰা, তেতিয়া স্বাধীনতাৰ প্ৰকৃত অৰ্থত লাভ কৰিব ।

# পতাকা

**চবিন চন্দ্ৰ নাথ,ৰাণী**



পশ্চিম আকাশত
কলা মেঘ এচপৰা
ডুব যায় ধীৰে ধীৰে
মোৰ অগাধ বিশ্বাসৰ গভীৰ স্বপ্নলৈ।
ছিন্নভিন্ন অৱশিষ্ট হেঁপাহবোৰ
মন্দিৰৰ পবিত্ৰতাৰে ধুই
শক্তিশালী কৰো মনৰ আকাশ।
জুইত তপতোৱা হাতুৰীৰে কোবাই কোবাই
বিধ্বস্ত কৰোঁ
ব্যৰ্থ জীৱনৰ
কলা মেঘৰ অদ্ভুত অভিপ্ৰায় ।
খিৰিক কৰিলেই সাৰ পোৱা
মোৰ সাহসী অন্তৰাত্মাই
চিকুট মাৰি চৌদিশ একতাৰে বান্ধি
বিবেকৰ হাকুটীৰে টানি আনে
মোৰ আমঠুলৈ
এটা অদ্ভুত প্ৰতিশ্ৰুতি।
জীৱনটো জীয়াই থকা সাহস বুকুত বান্ধি
কৌশলেৰে উৰুৱাও
পোহৰৰ ৰঙীন পতাকা।

# অচিনাকি

**শৈলেন কুমাৰ, মিৰ্জা**



অচিনাকি আজিও তুমি মই
চিনাকি জানো সমাজৰ নাট।
বতাহজাকে হয়তো নেজানে
ফুলৰ সুগন্ধি কিন্তু সি বলিব জানে আকাশগংগা হে।
তোমাৰ মুখৰ ৰঙা দাগটোৱে
হয়টো বহুতকে কৰে অতিষ্ঠ ।
মাজনিশাৰ চিএৎৰ, বুকুৰ বেদনা, বিফলতাৰ সমুদ্ৰ ।
ককবকাই থকাজনক খেদি ফুৰিছে দুঃস্বপ্নই,
আহৰি পোৱা নাই,
মেঘৰ আঁৰত লুকুৱাই হাঁহিছে ঘোৰ অমাৰশ্যাই ।
শিকলিৰে মেৰিয়াই ধৰিছে
অন্ধকাৰ ভৱিষ্যত, নিৰাশাই দিছে জীৱনত ভ্ৰান্তি,
বিশ্বাসৰ সাঁকোখনো আজি ধৰি ৰাখিবলৈ অমান্তি ।
যাত্ৰাত চিনাকি অন্তকালত যাৱ পাহৰি,
মনৰ কথা স্মৃতি হৈ ৰৱ সপোনৰ সমাধিত ।
আকৌ এবাৰ অচিনাকি হৈ যাম,
আঁৰকাপোৰ নামিলে মঞ্চৰ,
ব'লা আমি আগুৱাই যাওঁ ।

# Do or Die : The summer of 1942



Jyoti Khataniar

The summer of 1942 experienced a tremendous wave of unprecedented rebellion all across the country when on the night of August 8, the country went ahead with the execution of the idea of extreme opposition to the British empire. Mahatma Gandhi on that night gave the final mantra to the nation : Do or Die. This mantra electrified the whole nation and the British empire totally failed to understand its deep rooted significance and wider consequences. The then Viceroy of British India, Lord Linlithgow believed only in one solution : to crash this massive uprising with brutal military power. Mahatma Gandhi was equally determined to oppose it with the soul force that he had practiced for a long time since his days in South Africa. Eminent historians like Sumit Sarkar were of the opinion that the summer of 1942 found Gandhiji in a strange and uniquely militant mode. In a press interview that Gandhiji gave on May 16, 1942 the standing was of a determined and fearless statesman when he came with a statement - " this orderly disciplined anarchy should go, and if as a result there is complete lawlessness I would risk it. " It is pertinent to note that the idea of lawlessness and a continued form of disorder was the principle reason that the colonial British power often placed before the nation and the world against India's independence. Lord Linlithgow vehemently opposed India's every effort towards freedom and took every measure to derail the entire process. The Viceroy even kept a British battleship ready to deport Gandhiji and other prominent leaders of Congress. The do or die message is the result of India's continuous effort to attain freedom since 1857 which Linlithgow correctly anticipated and analysed. He wrote to Prime minister Winston Churchill that he was facing the most serious rebellion since 1857. Scholars like B.R Nanda come with the view that these comparisons are not quite apt. The Indian soldiers participating in 1857 mutiny ( which was termed as India's Struggle for Freedom by none other than Karl Marx) had some arms, ammunition and training. With his long years on the Indian soil , Gandhi knew well that the rural population of the country must be included in his last effort to overthrow the British government in a non-violent way. Even today, there are occasions when Indian scholars and politicians use Gandhi's profound realisation: India lives in villages. The British administration was taken aback when they witnessed unprecedented participation of students from schools and colleges all over the country. The British response under Lord Linlithgow was ruthless which even the British press found difficult to justify. According to official figures, by the end of 1942, over 66,000 persons had been convicted or detained. The imperial military had fired on 538 occasions. The total lives lost were over two thousand. It was a disaster in terms of administrative understanding and handling of the movement for the imperial British power. The official history of India, prepared by the former USSR estimated that during this period 694 labour strikes were held and 772000 labourers took part in them. For the villagers, Gandhi's message was that peasants would stop paying taxes and refusal to pay taxes would give them the courage to think that they were capable of taking independent action . Their next step would be to seize the land.

Tyagbir Hem Barua ( 1893-1945)wrote a brilliant summary on the role of the Assamese people in the revolution of 1942 . A leading freedom fighter and an efficient organiser of the various phases of the freedom struggle in Assam, Tyagbir compared this movement with the French revolution. In terms of its influence and outreach, as all the leaders of the national congress including Mahatma Gandhi, Jawaharlal Nehru, Maulana Abul Kalam Azad, Sardar Vallabhbhai Patel were arrested on August 9, 1942, the movement was virtually a leaderless one. Gandhiji already prepared the ground with individual Satyagraha and urged every Indian to be their own guardian. It is interesting to note that Mahatma drew the inspiration of the most famous slogan of modern Indian history - do or die - from the poet laureate Alfred Tennyson's poem "The Charge of the Light Brigade(1854)". This famous poem contains these immortal lines“ : " Theirs not to make reply,/ Theirs not to reason why,/ Theirs but to do and die./ Into the valley of Death/ Rode the six hundred." It is important to note that, in order to face the Japanese army, the Allied Forces had made massive preparations on the soil of Assam. Armed forces were fully equipped with numerous guns and bullets which could be easily triggered against the common Assamese people taking part in this movement. Eminent Assamese leaders like Bharat Ratna Gopinath Bordoloi, Siddhinath Sarma, Maulana Tayabullah, Bishnuram Medhi, Fakhruddin Ali Ahmed , Deveswar Sarma were all arrested. As all the Congress members of the Assam Legislative Assembly were arrested, Sir Syed Muhammad Saadullah KCIE(1885-1955) quickly grabbed this opportunity to form a provincial government. Tyagbir Hem Barua noted that the Saadullah government was instrumental in sabotaging the movement and its role was reactionary. According to him, the torture and the activities of the Saadullah government was a black spot in the history of the province. Kanaklata Baruah was shot dead(September 20, 1942) at Gohpur police station when she went ahead to host the national flag. Mukunda Kakati was also killed in the same incident. It is reported that Muslim gundas ( hooligans) were imported from the Bengal Province to Dhekiajuli Police Station to torture the freedom fighters, especially women taking part in this movement. Similar incidents happened in various places of Tezpur and Nagaon.The heroic tale of Tilak Deka(August 28 ,1942)became a symbol of dedication, integrity and love for his motherland when the British military sergeant shot him point blank. When the villagers approached the dead body of Tilak Deka, the British military fired at the gathering and six innocent lives were lost. However, this brutal firing could not deter the public from performing Tilak's last rite that very night. The next day, around 300 people were arrested and all of them were tortured.

Two incidents of 1942 are still remembered. One is the killing of Bhogeshwari Phukanani , the grand old lady of the Assamese freedom struggle who was killed by the British at Barhampur. The British military indiscriminately fired at the public who went ahead to protect Bhogeshwari Phukanani and another young lady named Ratnamala. As a result, Lakhmiram Hazarika, Thagiram Sut and Bolu Sut were killed. Lakhmi Hazarika with blood and bullet in his chest and just before his death took out 1 anna and 6 paisa , his only savings , from his pocket and gave it to his comrades to spend for the country. Tyagbir Hem Barua commented that with his blood and coins , he glorified the entire freedom struggle.


অসম চৰকাৰ
এজুপি গছ মাৰ নামত
এই সময়োচিত ঐতিহাসিক আন্দোলনত যোগদান কৰক
অমৃত বৃক্ষ আন্দোলন
বৃক্ষ অৰ্থনীতি সম্প্ৰসাৰণ
৩ কোটি বাণিজ্যিকভাৱে উপযোগী গছপুলি ৰোপণ
১ৰ পৰা ১৫ আগষ্ট ২০২৪লৈ
লক্ষ্য
অমৃত বৃক্ষ আন্দোলন হৈছে বাণিজ্যিক গছপুলি ৰোপণত নাগৰিকক জড়িত কৰোৱাৰ এক গণ আন্দোলন
উদ্দেশ্য
JANASANYOG- 976/24/11-Aug-24
অসমৰ সেউজ আৱৰণ বৃদ্ধি কৰা
বনাঞ্চলৰ বাহিৰৰ বৃক্ষ (ToF) ক্ষেত্ৰৰ পৰিসৰ বৃদ্ধি কৰা
বাণিজ্যিক বৃক্ষৰোপণৰ প্ৰসাৰ কৰা
ৰাজ্যৰ সেউজ অৰ্থনীতি আৰু কৃষি বনানীকৰণ খণ্ডৰ উন্নয়ন সাধন
বহনক্ষম উন্নয়নৰ গতি খৰতকীয়া কৰা
আপোনাৰ গছপুলিসমূহ পাবৰ বাবে আৰু ৰোপণ কৰা গছপুলিৰ সৈতে আপোনাৰ ফটো আপলোড কৰিবলৈ
পঞ্জীয়ন কৰক
aba.assam.gov.in বা
বা
Amrit Brikshya Andolan
আহক, মাৰ নামত এটা গছপুলি ৰোপণ কৰোঁ
“৫ জুন, ২০২৪ তাৰিখে বিশ্ব পৰিবেশ দিৱস উপলক্ষে আমাৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াই ‘এক পেড় মা কে নাম’ অভিযান আৰম্ভ কৰি দেশ তথা সমগ্ৰ বিশ্বৰ প্ৰতিগৰাকী ব্যক্তিকে তেওঁলোকৰ মাতৃৰ নামত একোটাকৈ গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায়। অমৃত বৃক্ষ আন্দোলন, ২০২৪ৰ সময়ত এই অভিযানত অংশগ্ৰহণৰ বাবে মই অসমৰ সমূহ জনসাধাৰণক আহ্বান জনাইছোঁ।”
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
১২ আগষ্ট ২০২৪ লৈকে
ওচৰৰ বিতৰণ কেন্দ্ৰৰ পৰা আপোনাৰ গছপুলিসমূহ সংগ্ৰহ কৰক
#AmritBrikshyaAndolan
#PromotingTreeEconomy
#EkPedMaaKeNaam
#Plant4Mother
অসম চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগৰ যুগান্তকাৰী পদক্ষেপ
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

# অসমৰ প্ৰাচীন লোক নাট্যকলা -পুতলা নাচ



**অলকা বুজৰবৰুৱা, টিহু টাউন**

অসমৰ এক প্ৰাচীন লোক নাট্যানুষ্ঠান হ'ল পুতলা নাচ। অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ ই এক আপুৰুগীয়া সম্পদ। পুতলা নাচ হ'ল পুতলা সমূহক সূতা লগাই মঞ্চৰ ওপৰৰপৰা পৰিচালনা কৰা এক বিশেষ ধৰণৰ কলা। ইয়াত নৃত্য, গীত আৰু নাটকীয় মুদ্ৰাৰ সংযোগ স্থাপন কৰা হয়।

প্ৰাচীন কালৰ পৰাই অসমত পুতলা নাচ প্ৰদৰ্শিত হৈ আহিছে। অনুমান কৰা হয় যে বৈদিক যুগৰ পৰাই সমগ্ৰ ভাৰতবৰ্ষতে পুতলা নাচৰ প্ৰদৰ্শন চলি আহিছে।ভাগৱত, কালিকাপুৰাণ, গুৰুচৰিত আদিতো পুতলা নাচৰ বিষয়ে পোৱা যায়। আনকি মহাপুৰুষ শংকৰদেৱেও অংকীয়া নাট ৰচনাৰ ক্ষেত্ৰত পুতলা নাচৰ পৰাই সমল সংগ্ৰহ কৰিছিল বুলি ভবাৰ থল আছে। তথাপিও পুতলা নাচৰ ইতিহাস বা বিৱৰ্তন সম্পৰ্কে সম্পূৰ্ণ শুদ্ধকৈ কোৱাটো অতি কঠিন। ৩৩০০-১৩০০ খ্ৰীষ্টপূৰ্বত সিন্ধু উপত্যকাৰ খনন কাৰ্যত উদ্ধাৰ হোৱা টেৰাকোটাৰ বিভিন্ন পুতলা আৰু খেলনা সমূহক ভাৰতীয় উপমহাদেশৰ প্ৰাচীনতম পুতলা শিল্পৰ নিদৰ্শন বুলি ধৰা হয়। অনুমান কৰা হয় যে পুতলা নাচৰ সূত্ৰধাৰৰ আৰ্হিতে গুৰুজনাই অংকীয়া নাটৰ সূত্ৰধাৰ চৰিত্ৰটোৰ সৃষ্টি কৰিছিল। মহাপুৰুষ শংকৰদেৱৰ জন্মৰ মাহেকীয়া অনুষ্ঠানতো পিতৃ কুসুম্বৰ ভূঞাই চোতালত পুতলা নাচৰ প্ৰদৰ্শন কৰোৱাৰ প্ৰবাদ আছে। মহাপুৰুষজনাৰ জন্মৰ কিছু বছৰৰ পিছত অসমত সূতাৰে পুতলা নচোৱা প্ৰথা আৰম্ভ হৈছিল।

পৰম্পৰাগত ভাবে পুতলা সমূহ চাৰি ধৰণে নিৰ্মাণ কৰা হয় - পোৱামাটিৰ পুতলা, কুঁহিলাৰ পুতলা, বাঁহ- বেত বা কাঠৰ পুতলা আৰু কাপোৰ আৰু বোকাৰে নিৰ্মিত পুতলা। ঠিক তেনেদৰে পুতলা নাচো চাৰি প্ৰকাৰৰ - ছায়া পুতলা নাচ, সূতাৰে নচোৱা পুতলা, লাঠি পৰিচালনা কৰি নচোৱা পুতলা (মাৰি পুতলা) আৰু হাতেৰে পৰিচালনা কৰা পুতলা (হাত পুতলা)। প্ৰথম অৱস্থাত ছায়া পুতলা প্ৰদৰ্শিত হৈছিল। সেই সময়ৰ মানুহৰ মাজত ই ছায়া বাজীৰ খেলা বুলি পৰিচিত আছিল। সেই সময়ত ভাৰতৰ বিভিন্ন প্ৰান্তত ছায়া পুতলা নাচৰ প্ৰদৰ্শন হৈছিল। সেই সময়ৰ পুতলা নাচত সূত্ৰধাৰ, বায়ন আৰু তালবাদক আছিল। পেঁপাৰে ৰাইজৰ মাজত নাট প্ৰদৰ্শন কৰিছিল। সূত্ৰধাৰে পেঁপাৰে কোৱা কথাবোৰ ভাওনা কৰি ৰাইজক বুজাইছিল। পেঁপাৰে বিভিন্ন ধৰণৰ পুতলাৰ মাত উলিয়াই অভিনয় সমূহ বিশ্বাসযোগ্য কৰি তোলা হয়। লগে লগে গায়ন-বায়নে পুতলাৰ বচন আৰু অভিনয় সমূহ ব্যাখ্যা কৰি দি থাকে। গায়ন-বায়নে গীত আৰু কথাৰ মাজেদি কাহিনী ভাগ আগবঢ়াই লৈ যায়। নাটৰ মাজত দৰ্শকক হাঁহিৰ খোৰাক যোগাবৰ বাবে এহাল কৌতুক অভিনেতা - অভিনেত্ৰী থাকে যাক কোৱা হয় কাউলা - কাউলেনী। কাউলাই যেতিয়া কাউলেনীক চোতাল সাৰিব দিয়ে তেতিয়া কাউলেনীয়ে গায় -

'চোতাল সাৰা সাৰা নুবুলিবি মোক
চোতাল সাৰা বুলা যদি বান্ধিৰে কোবাম তোক'

এনেদৰে বিভিন্ন অংগী-ভংগীৰে তেওঁলোকে দৰ্শকক হাঁহিৰ খোৰাক যোগায়।

আধুনিক যুগত সূতাৰে নচোৱা পুতলা আৰু লাঠিৰে পৰিচালনা কৰা পুতলা নাচ দেখা যায়। হাতেৰে পৰিচালনা কৰা পুতলা কম। তদুপৰি বৰ্তমান সময়ত পুতলা নাচত বিভিন্ন বাদ্যযন্ত্ৰ যেনে হাৰমনিয়াম, তবলা, কেচিঅ' আদি বৈদ্যুতিক যন্ত্ৰও ব্যৱহাৰ কৰা হয়।

সাধাৰণতে কাঠ, বাঁহ, কুঁহিলা কলঠৰুৱা আদিৰে পুতলা সমূহ সজাই লৈ তাৰ ওপৰত বিভিন্ন ৰঙৰ কাপোৰেৰে সাজ সজ্জা কৰি ৰজা, ৰাণী আদিৰ ৰূপত সজাই পুতলা সমূহক অভিনয়ৰ বাবে সাজু কৰি তোলা হয়। মানুহৰ আকৃতিৰ উপৰিও জন্তু, দেৱতা, ৰাক্ষস আদিৰ ৰূপতো পুতলা সমূহ সজ্জিত কৰি নেপথ্যৰ পৰা দৰ্শকে দেখা নোপোৱাকৈ ক'লা সূতাৰে পৰিচালনা কৰি দৰ্শকৰ সন্মুখত প্ৰদৰ্শন কৰে। পুতলা সমূহৰ হাত, ভৰি আৰু ডিঙিত ক'লা সূতা বান্ধি আঁৰ কাপোৰৰ আঁৰত থকা ব্যক্তিয়ে কৌশলপূৰ্ণ ভাৱে পুতলা সমূহ অৰ্থপূৰ্ণ আৰু জীৱন্ত ৰূপত পৰিচালনা কৰে।

আগতে প্ৰধানকৈ পুতলা নাচৰ নাট্যানুষ্ঠানবোৰত পৌৰাণিক নাট যেনে ৰজা হৰিশ্চন্দ্ৰ, মা মনসা আদি পুৰাণ, ৰামায়ণ আৰু মহাভাৰতৰ কাহিনী সমূহহে প্ৰদৰ্শন কৰা হৈছিল যদিও বৰ্তমান সময়ত সমাজ সচেতনতাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন সামাজিক নাটকো প্ৰদৰ্শন কৰা দেখা যায়। অৱশ্যে বৰ্তমান সময়ত প্লাষ্টিক, টিন আদিৰেও পুতলা সমূহ প্ৰস্তুত কৰা হয় বাঁহ আৰু কাঠৰ তক্তাৰে পুতলা নাচৰ মঞ্চখন সজোৱা হয়। দৰ্শকৰ বাবে মঞ্চৰ সন্মুখৰ ফালটো খোলা ৰাখি বাকী তিনিওফালে ক'লা কাপোৰেৰে ঢাকি দিয়া হয়। তেনেদৰে ওপৰফালেও ক'লা কাপোৰ টানি দিয়া হয় যাতে পুতলা নচোৱা কৌশলবোৰ দৰ্শকৰ সন্মুখত ধৰা নপৰে।

পুতলা নাচৰ একোটা দলত প্ৰায় চৈধ্য -পোন্ধৰ জনকৈ শিল্পী থাকে-সূত্ৰধাৰ, গায়ন, বায়ন আৰু পালি। সূত্ৰধাৰজনেই পুতলা নাচৰ মূল ব্যক্তি। বায়নজন সূত্ৰধাৰৰ সহায়ক। তেওঁ গীত, নৃত্য, বাদ্য আদি সকলোতে পাৰ্গত। তেওঁ খোল তাল বজাই সংগী সকলৰ সৈতে অনুষ্ঠান পৰিবেশনৰ বাবে উপযুক্ত পৰিৱেশ গঢ়ি তোলে। বায়নজনে বন্দনামূলক গীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে।

অতি পৰিতাপৰ বিষয় যে অসমৰ বুকুৰ পৰা অসমীয়া কলা সংস্কৃতিৰ এই আপুৰুগীয়া সম্পদ পুতলা নাচ বৰ্তমান হেৰাই যোৱাৰ পথত। এটা সময়ত অসমৰ নলবাৰী জিলাৰ চান্দকুছি, গন্ধিয়া, মোহখলি, কেহাটী, মাখিবাহা, পিপলিবাৰী, দৰং, গোৱালপাৰা, কলাই গাওঁ আদিত অসংখ্য পুতলা নাচৰ দল আছিল যদিও বৰ্তমান ইয়াৰ ভিতৰৰ বহুতো কালৰ বুকুত হেৰাই গৈছে। বৰ্তমান চলি থকা নাট্যদলৰ ভিতৰত সাগৰিকা পাপেট থিয়েটাৰ, ৰবি পাপেট, নবৰত্ন পাপেট থিয়েটাৰ, পল্লৱী পাপেট থিয়েটাৰ নটৰাজ পুতলা থিয়েটাৰ আদিয়ে প্ৰধান। অসমৰ বিভিন্ন ঠাইত এই পুতলা নাট্যদল কেইটাই বৰ্তমান পুতলা নাট প্ৰদৰ্শন কৰি আছে। নলবাৰী জিলাৰ টিহুৰ নিকটৱৰ্তী মাখিবাহাৰ ধীৰেন ঠাকুৰীয়াৰ দ্বাৰা পৰিচালিত "পল্লৱী পাপেট থিয়েটাৰ" এ অসমৰ বিভিন্ন অঞ্চলৰ উপৰিও অৰুণাচল, মেঘালয়, কোচবিহাৰ আদি ঠাইত পুতলা নাচ প্ৰদৰ্শন কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে।

আজিৰ দিনত অসমত পুতলা নাটৰ সমাদৰ বৰ বেছি বুলি ক'ব নোৱাৰি। বঙাইগাঁও, কামৰূপ, দৰং নলবাৰী আৰু বাক্সা অঞ্চলৰ মানুহৰ এই কলাটোৰ প্ৰতি এতিয়াও কিছু আগ্ৰহ আছে। পুতলা নাচৰ শিল্পী সকলৰ আৰ্থিক অৱস্থাও শোচনীয় বুলি ক'লেও বঢ়াই কোৱা নহয়। নাট প্ৰদৰ্শন কৰি কমিটিৰ পৰা পোৱা টকাৰে তেওঁলোকে জীৱিকা নিৰ্বাহ কৰা কঠিন হৈ পৰে। অৱশ্যে বৰ্তমান চৰকাৰে "মেক ইন ইণ্ডিয়া" অভিযানৰ জৰিয়তে দেশীয় পুতলা আৰু খেলনাৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব প্ৰদান কৰিছে। তদুপৰি পুতলা শিল্পৰ লগত জড়িত শিল্পী সকলৰ বাবেও চৰকাৰে বিভিন্ন আঁচনি হাতত লৈছে।

এই পুতলা নাচ আৰু ইয়াৰ শিল্পী সকলৰ জীৱনৰ আৰ্হিত নিৰ্মাণ কৰা হৈছে ৰাজেন দাসৰ দ্বাৰা পৰিচালিত অসমীয়া কথাছবি "life in a puppet"। ক্ৰমাৎ মৃত্যুৰ দিশে আগবঢ়া এই শিল্প টোক পুনৰ জীয়াই তোলাত এই কথাছবি খনৰ নিশ্চয়কৈ যথেষ্ট অৰিহণা থাকিব।

অসমৰ এই আপুৰুগীয়া লোককলাটোক জীৱিত তথা উজ্জীৱিত কৰি ৰাখিবলৈ হ'লে নতুন প্ৰজন্মৰ নতুন চিন্তাধাৰা, নতুন কৌশল আৰু সহায় সহযোগিতাৰ যথেষ্ট প্ৰয়োজন আছে বুলি আমি ভাবো।

## জোনবাই

**মন্দিতা চেতিয়া গগৈ,ৰাজগড়, ডিব্ৰুগড়**



বৰ মৰমলগা জোনবাইজনী
মোৰ লগে লগে অহা-যোৱা কৰে,
মোৰ লগত হাঁহে, মোৰ লগত কান্দে
মাজে মাজে অভিমানত
মুখখন ওলোন্দাই থাকে ।
তাইক নালাগে আকাশৰ তৰা
নিবিচাৰে সাগৰ তলিৰ মণি-মুকুতা,
মোৰ বুকুত ৰামধেনুৰ ৰং সানি
দেহত বোঁৱাই জোনাকৰ নিজৰা।
তাইৰ উতলা যৌৱনত মই চগা হৈজ্ঞ লো,
সমৰ্পণো ইমান সুখকৰ
তাইৰ কাষত থাকি প্ৰতিপলে অনুভৱ কৰোঁ।
জীৱন মানেই এটা পৰিক্ৰমা
পশ্চিমৰপৰা পূবলৈ, পূবৰ পৰা পশ্চিমলৈ
পৰিক্ৰমা আছে জোনবাইজনীৰো,
কাঁচিজোনৰপৰা পূৰ্ণিমালৈকে
পূৰ্ণিমাৰপৰা অমাৱস্যা।
এতিয়া মৰ আঁউসী
জোনৰ জোনাক নাই,
জোনাক বিচাৰি বিননি জুৰিলেও
এই বাটে জোনাক নাহে যে দুনাই ।

অণুগল্প

## ভিক্ষা

**মামণি পাপৰি বৰুৱা বৰা, কলিয়াবৰ**

তাই নিজৰ বাহু বলেৰে সন্তানক লৈ সংসাৰ খন আগুৱাই নিয়া দেখি ৰাতিৰ আন্ধাৰত তাইৰ ওচৰত ভিক্ষা বিচৰা মানুহৰ হেতা ওপৰা।

মজবুত কৰি তাই বনাই লৈছে ডুবাৰ মৰা ডাং ডাল, জীৱনৰ সুৰক্ষাৰ বাবে...।

# অসমীয়া গণিতজ্ঞ – ড° বিনয় কুমাৰ তামুলী



**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

১৯২৪ চনৰ ২৯ জুলাইত জন্ম গ্ৰহণ কৰা ড° বিনয় কুমাৰ তামুলী আছিল এজন সমাজ হিতৈষী বিজ্ঞান সাধক আৰু গণিতজ্ঞ । বিজ্ঞান জনপ্ৰিয়কৰণৰ বাবে গঠন হোৱা অসম বিজ্ঞান সমিতিৰ তেখেত বৰ সক্ৰিয় আৰু উৎসাহী সদস্য আছিল। তেখেতৰ পিতৃ আছিল যাদৱ চন্দ্ৰ তামুলী আৰু মাতৃ আছিল কাশীশ্বৰী তামুলী। কৰ্মসূত্ৰে তেওঁলোকে পাগলাদিয়া নৈৰ পাৰৰ গাঁও এৰি গুৱাহাটীৰ উজানবজাৰৰ যোৰপুখুৰীপাৰৰ স্থায়ী বাসিন্দা হয়। বিনয় কুমাৰে ১৯৪০ চনত কটন কলেজিয়েট স্কুলৰ পৰা সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজৰ পৰা আই এছছি কলিকতাৰ ছেইণ্ট জেভিয়াৰ্ছ কলেজৰ পৰা স্নাতক আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৪৬ চনত গণিতত স্নাতকোত্তৰ উপাধি লাভ কৰে। ১৯৪৮ চনত বৰ্তমানৰ কানৈ কলেজত প্ৰথম শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰি যোৰহাট জগন্নাথ বৰুৱা কলেজত কিছুদিন শিক্ষকতা কৰাৰ পাছত ১৯৫২ চনত কটন কলেজত যোগদান কৰে। ১৯৫৩ চনত তেখেতে প্ৰশাসনিক বিষয়াৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হৈ প্ৰথম স্থান লাভ কৰে যদিও শিক্ষকতা এৰি নিদিলে। ১৯৭৪ চনত বিনয় কুমাৰ তামুলীয়ে মৌলিক বা বিশুদ্ধ গণিত বিষয়ত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। ১৯৬০ চনৰ পৰা ১৯৮৫ চনলৈকে গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল।

অধ্যয়ন প্ৰিয় তামুলীয়ে গণিতৰ উপৰিও সাহিত্য, দৰ্শন, মহাকাশ বিজ্ঞান আদি সকলো বিষয়তে দক্ষতা অৰ্জন কৰিছিল। তেখেতে বিশেষকৈ বিশ্বব্ৰহ্মাণ্ড আৰু মহাকাশৰ বিষয়ে বিভিন্ন প্ৰবন্ধ আৰু গণিতজ্ঞৰ জীৱনী লিখিছিল। তেখেতে লিখা পুথি কেইখন হৈছে বিশ্বৰহস্য ১৯৬০ চনত, মহাকাশ অভিযান ১৯৬২ চনত, এন ইনট্ৰ'ডাকশ্যন টু দা থিঅ'ৰি অৱগ্ৰুপছ ১৯৬২ চনত, কণ্টেমপক্সৰেৰি এলজেব্ৰা ১৯৭৭ চনত, বিমূৰ্ত গণিত ১৯৭৭ চনত আৰু ভিন্নসুৰীয়া ১৯৯৩ চনত।

১৯৫৬ চনত বিনয় কুমাৰ তামুলীৰ বিবাহ সম্পন্ন হয় প্ৰতিভা বৰুৱাৰ লগত। সমাজ সচেতন তামুলীয়ে ১৯৪৯ চনত ডিব্ৰুগড়ত শিক্ষকতা আৰম্ভ কৰাৰ সময়তেই 'ছাত্ৰ কল্যাণ সমিতি ' নামৰ এটা অনুষ্ঠান গঢ়ি তুলিছিল। ১৯৫০ চনৰ পৰা তিনি দশকৰো অধিক কাল অসম বিজ্ঞান সমিতিৰ কামত জড়িত হৈ আছিল। তাৰোপৰি ১৯৮৬ চনত 'গাঁও কল্যাণ বস্ত্ৰ ঔদ্যোগিক প্ৰকল্প ', ১৯৮৮ চনত 'অসম সমাজ সচেতন মঞ্চ ', ১৯৯৪ চনত 'অসম শিশু কল্যাণ সদন ' আদি অনুষ্ঠান গঢ়ি সকলো শ্ৰেণীৰ লোকৰ কল্যাণ সাধনৰ বাবে চেষ্টা কৰিছিল। তেখেতৰ কৰ্মময় জীৱনৰ পৰিসমাপ্তি ঘটে ২০০৬ চনৰ ১৪ জুন তাৰিখে। এনে এজন মহান ব্যক্তিক তেখেতৰ জন্ম শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

# নিজ ভালেই জগত ভাল



**সংযুক্তা দত্ত**

আমি সকলোৱে সৰুৰে পৰাই এযাৰ কথা শুনি আহিছোঁ - "নিজ ভালেই জগত ভাল।" কিন্তু বাস্তৱত আমি কিমান জনে এই কথাষাৰৰ মহত্ব বুজি নিজৰ নিজৰ ক্ষেত্ৰত মানি চলিবলৈ চেষ্টা কৰিছোঁ। সমাজত এজন ব্যক্তিক তেওঁৰ কৰ্মৰ দ্বাৰা হে বিচাৰ কৰা হয় ব্যক্তিজন কেনেকুৱা। আমাক সৰুৰে পৰাই শিকাই দিয়া হয় যে - যদিহে এজন ব্যক্তিয়ে ভাল কাম কৰিছে তেওঁ ভাল। আৰু যদিহে বেয়া কাম কৰিছে তেওঁ বেয়া। কিন্তু এই কথাষাৰৰ কিমান যুক্তি আছে সেয়া আমি কোনেও নাজানো মাত্ৰ কামৰ ওপৰত ভিত্তি কৰি আমি কথাষাৰ কৈ দিলোঁ। যিকোনো এজন ব্যক্তিয়ে যিকোনো এটা বস্তু বা ঘটনাক নাইবা আন এজন ব্যক্তিক দুটা দৃষ্টিকোণৰ পৰা চাব পাৰে - এটা ঋণাত্মক আৰু আনটো ধনাত্মক। কিন্তু প্ৰায় সংখ্যক মানুহৰ ক্ষেত্ৰতে দেখা পোৱা যায়। তেওঁলোকে ঋণাত্মক দৃষ্টিভংগীৰেহে কথাবোৰ বিশ্লেষণ কৰি চায়। আমি যদি ঋণাত্মক দিশটোক বেছি প্ৰাধান্য দি থাকোঁ তেনেহ'লে আমি আন ব্যক্তিৰো ঋণাত্মক দিশসমূহে দেখা পাম। যদিহে আমি ধনাত্মক দিশটোক ঋণাত্মক দিশতকৈ বেছি প্ৰাধান্য দিওঁ তেনেহ'লে আমি আন এজন ব্যক্তিৰো ধনাত্মক দিশসমূহে বেছিকৈ দেখা পাম। আমি সদায় নিজৰ ক্ষেত্ৰতে হওঁক বা আন এজনৰ ক্ষেত্ৰতে হওঁক ঋণাত্মক দিশ পৰিহাৰ কৰি ধনাত্মক দিশটোৰ ওপৰত অধিক গুৰুত্ব দিব লাগে। সেইকাৰণেই কোৱা হয় - "নিজ ভালেই জগত ভাল।" আমি যদি প্ৰথমে নিজে ভাল হওঁ। তেনেহ'লে আমি বাস কৰা সমাজখনো ভাল হ'ব।

**অণুগল্প**

# পোহৰ দেখা দিনটো এন্ধাৰ হ'ল

**সুনম বিশ্বাস**
**গোৰেশ্বৰ, তামোলপুৰ**

ৰাতিপুৱাই জুৰিয়ে ফোনটো হাতত লৈ সেমেকি উঠিছে, মেছেজৰ নটিফিকেচনবোৰ চাই। পৃথিৱীৰ পোহৰ দেখা দিনটোৰ শ শ শুভেচ্ছা - শুভকামনাবোৰে তাইৰ বুকুখনত বিষাক্ত কীট হৈ কামুৰিছে। উশাহবোৰ বন্ধ হোৱাৰ উপক্ৰম হৈছে, কিয়নো এই দিনটো তাইৰ বাবে এতিয়া অৰ্থহীন; বঠা নথকা এখন নাও সদৃশ! তাই টেবুলত থকা মাকৰ ফটোখন বুকুত সাৱটি লৈ মা - মা গোন্ধ অনুভৱ কৰি মনত এপাহাৰ কষ্টৰ বোজা লৈ; ওঁঠ দুটি কামুৰি বিদ্যালয়লৈ বুলি ওলাই গ'ল...।

# নিৰ্বিকাৰ

**মিহিৰ মৌচুম ৰয়**



পাহাৰত
অহংকাৰৰ
সেউজীয়া বতাহ
ওপৰত
নিমাখিত আকাশ
হেঁপাহবোৰ সামৰি
ৰৈ থাকে নিশ্চল
ধুমুহা।
তথাপি নিৰ্বিকাৰ
পাহাৰী সেউজীয়া
যুঁজি যুঁজি ভাগৰুৱা
অহংকাৰী ৰণুৱা।

# তোমাৰ অসুখ

**বৰ্ণালী চৌধুৰী, বংশৰ, গুৱালকুছি**



তোমাৰ অসুখ বুলি
জনাৰেপৰা
মোৰো অসুখ
দুচকু মুদি দিছোঁ
চুই চাব খুজিছোঁ
শীৰ্ণ দুহাতেৰে
তোমাৰ ভাগৰুৱা দুচকু
আৰু তাত দুলি থকা
তোমাৰ অস্থিৰতা
তোমাৰ সমস্ত অসুখ

# বাংলাদেশত নিৰ্যাতিত হিন্দুক

১৯৫১ চনৰ পৰা ২০২৪ চনৰ ভিতৰত বাংলাদেশত হিন্দু নাগৰিকৰ সংখ্যা ৩৩ শতাংশৰ পৰা ৮ শতাংশলৈ হ্ৰাস হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসম, পশ্চিমবংগ আৰু ঝাৰখণ্ডতো হিন্দুৰ সংখ্যা কমিছে। বাংলাদেশত ১৩ শতাংশলৈ হিন্দুৰ সংখ্যা হ্ৰাস পোৱাৰ বিপৰীতে অসমত হিন্দুৰ সংখ্যা ৯.২৩ শতাংশলৈ হ্ৰাস পাইছে। ইপিনে, ৰাজ্যৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণ কংগ্ৰেছৰ বাবেই এতিয়াও সম্ভৱ হৈ উঠা নাই বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই বিষয়টোক লৈ কংগ্ৰেছ দলে সাপ হৈ খোঁটে, বেজ হৈ জাৰে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে ৰাজ্যৰ ৬ জনগোষ্ঠীক জনজাতিকৰণৰ বাবে বিধানসভাত এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল। সেই প্ৰস্তাৱটোত ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ লগতে বৰ্তমানৰ জনজাতিসকলৰ কোনোধৰণৰ অধিকাৰ খৰ্ব নোহোৱাকৈ কৰিব লাগিব বুলি উল্লেখ কৰে। কংগ্ৰেছে লগাই যোৱা সেই চৰ্তটোৰ বাবেই বৰ্তমানলৈ ৬ জনগোষ্ঠীৰ জনজাতিকৰণ হৈ উঠা নাই। কাৰণ কংগ্ৰেছে বিধানসভাত গ্ৰহণ কৰা প্ৰস্তাৱটোত স্পষ্টকৈ বৰ্তমানৰ জনজাতিসকলৰ ক্ষতি নোহোৱাকৈ ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী উত্থাপন কৰিছিল।

# অসমত কোনো বাংলাদেশীক

দেশ বাংলাদেশৰ সীমান্ত সংলগ্ন হৈ থকা উত্তৰ-পূৰ্বাঞ্চলৰ আন চাৰিখন ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধানেও আলোচনাত মিলিত হৈছিল। উক্ত আলোচনাৰ পিছৰে পৰাই অসমৰ প্ৰত্যেকখন জিলাৰ আৰক্ষী অধীক্ষকলৈ জৰুৰী বাৰ্তা মুখ্য কাৰ্যালয়ৰ পৰা প্ৰেৰণ কৰা হৈছে। আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে কয় যে আন্তঃৰাষ্ট্ৰীয় সীমান্তত প্ৰথম সুৰক্ষাৰ দায়িত্বত নিয়োজিত হৈ আছে বিএছএফ। বিএছএফৰ সৈতে একেলগে অসম আৰক্ষীকো সষ্টম হোৱাৰ নিৰ্দেশ দিয়া হৈছে। কোনোপধ্যে বাংলাদেশৰ পৰা অবৈধ প্ৰব্ৰজনকাৰী অসমত যাতে প্ৰৱেশ কৰিব নোৱাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মোতায়েন কৰা আৰক্ষীক নিৰ্দেশ দিয়া হৈছে। অৱশ্যে তাৰ মাজতো ভাৰতৰ পাৰপত্ৰ থকা লোকৰ ভিতৰত যিসকলে ব্যৱসায় বা অধ্যয়ন সূত্ৰে বাংলাদেশত আছিল তেওঁলোকৰ সকলো কাগজ-পত্ৰ, ভিছা আদি চিনাক্ত কৰাৰ পাছতহে ভাৰতবৰ্ষত প্ৰৱেশ কৰিবলৈ দিয়া হৈছে। তদুপৰি বাংলাদেশৰ সৈতে জড়িত থকা অসমৰ সীমান্ত এলেকাবোৰৰ ভিতৰত যিবোৰ এলেকাত অনুপ্ৰৱেশৰ সম্ভাৱনা দেখা গৈছে তাত বিএছএফৰ সৈতে অসম আৰক্ষীৰ জোৱানক যুটীয়াভাৱে পেট্ৰ'লিং অব্যাহত ৰখাৰ কঠোৰ নিৰ্দেশো প্ৰদান কৰা হৈছে। এতিয়ালৈকে কোনোধৰণৰ অনুপ্ৰৱেশৰ ঘটনা অসমত সংঘটিত হোৱা নাই বুলি মন্তব্য কৰিছে আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে।

# ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক টিমোৰ

সন্মানিত কৰা হৈছে বুলিও ৰাষ্ট্ৰপতি জোছ ৰামোছ হটাই প্ৰকাশ কৰিছে। বঁটা গ্ৰহণ কৰি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কয় যে ভাৰত আৰু টিমোৰ- লেষ্টেৰ মাজত সম্পৰ্কৰ প্ৰতিফলন এই বঁটা। উল্লেখ্য যে ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে প্ৰথমগৰাকী ৰাষ্ট্ৰপতি হিচাপে টিমোৰ-লেষ্টে ভ্ৰমণ কৰিছে। ৰাষ্ট্ৰপতিৰ ভ্ৰমণত গাৰ্ড অৱ অ'নাৰেৰে সন্মান জনোৱাৰ পাছত দ্ৰৌপদী মুৰ্মুক দেশখনৰ ৰাষ্ট্ৰপতিয়ে সৰ্বোচ্চ অসামৰিক সন্মানটো প্ৰদান কৰে। ৰাষ্ট্ৰপতি জোছ ৰামোছ হটাৰ সৈতে ভাৰতৰ ৰাষ্ট্ৰপতিগৰাকীয়ে বিভিন্ন বিষয়ক লৈ আলোচনা কৰে। দুয়োগৰাকী ৰাষ্ট্ৰপতিয়ে বৈঠকত মিলিত হোৱাৰ পাছত তথ্য-প্ৰযুক্তি, ডিজিটেল পদ্ধতি, স্বাস্থ্য, কৃষি, সক্ষমতা নিৰ্মাণ আদিকে ধৰি বিভিন্ন বিষয়ত ভাৰত আৰু টিমোৰ-লেষ্টেৰ দ্বিপাক্ষিক সম্পৰ্ক বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে বুলি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। আন্তৰ্জাতিক সৌৰ মঞ্চত টিমোৰ-লেষ্টেৰ অংশগ্ৰহণৰ সম্ভাৱনা সন্দৰ্ভতো দুয়োগৰাকী ৰাষ্ট্ৰপতিয়ে আলোচনা কৰে।

# পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী

ভট্টাচাৰ্য। ১৯৮৪ চনত তেওঁক চিপিআই(এম)ৰ কেন্দ্ৰীয় সমিতিলৈ স্থায়ী আমন্ত্ৰণ জনোৱা হয় আৰু ১৯৮৫ চনত বুদ্ধদেব ভট্টাচাৰ্যক সদস্য হিচাপে নিযুক্তি দিয়া হয়। পিছলৈ ১৯৮৭ চনত জাদৱপুৰৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল বুদ্ধদেব ভট্টাচাৰ্যই। ১৯৮৭ চনত পুনৰ কেবিনেটত নিযুক্তি লাভ কৰে তথ্য আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰীৰ দায়িত্ব লাভ কৰে। নগৰ উন্নয়ন আৰু পৌৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰীৰ দায়িত্বতো আছিল বুদ্ধদেব ভট্টাচাৰ্য। ১৯৯১ চনত তথ্য আৰু সাংস্কৃতিক পৰিক্ৰমা আৰু নগৰ উন্নয়ন আৰু পৌৰ পৰিক্ৰমা মন্ত্ৰী হিচাপে বুদ্ধদেব ভট্টাচাৰ্যক কেবিনেটত অন্তৰ্ভুক্ত কৰা হয়। কিন্তু প্ৰশাসনৰ কাম-কাজ আৰু দুৰ্নীতিৰ অভিযোগত মুখ্যমন্ত্ৰীৰ সৈতে হোৱা মতানৈক্য হয়, পিছত ১৯৯৩ চনৰ ছেপ্টেম্বৰ মাহত বুদ্ধদেব ভট্টাচাৰ্যই হঠাতে মন্ত্ৰিত্বৰ পৰা পদত্যাগ কৰে। ১৯৯৬ চনত পশ্চিম বংগৰ নিৰ্বাচনৰ পিছত ভট্টাচাৰ্জীক গৃহ আৰু আৰক্ষী বিভাগৰ দায়িত্ব অৰ্পণ কৰে। মুখ্যমন্ত্ৰী জ্যোতি বসুৰ স্বাস্থ্যৰ অসুস্থতাৰ বাবে ১৯৯৯ চনত তেওঁক পশ্চিম বংগৰ উপ-মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হয়। ১৯৮৭ চনৰ পৰা ২০১১ চনলৈ জাদৱপুৰৰ বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰে বুদ্ধদেব ভট্টাচাৰ্যই। ২০০০ চনত প্ৰথমবাৰৰ বাবে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব লৈছিল বুদ্ধদেৱ ভট্টাচাৰ্যই। ইয়াৰ পিছত তেওঁ ১১ বছৰ ধৰি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্বত আছিল। ২০১৫ চনত বুদ্ধদেৱ ভট্টাচাৰ্যই চি পি আই এমৰ কেন্দ্ৰীয় কমিটীৰ সকলো বিষয়বাব ত্যাগ কৰিছিল আৰু ২০১৮ চনত পশ্চিমবংগৰ ৰাজ্যিক সম্পাদকৰ পদো ত্যাগ কৰিছিল।

# মহানগৰীৰ কৃত্ৰিম বানৰ

" গুৱাহাটী মহানগৰীত মেঘালয়ৰ পৰা অহা পানীৰ ফলতো যদি বানপানী হয়, সেই বান প্ৰতিৰোধৰ দায়িত্ব ৰাজ্য চৰকাৰৰ।" একাংশ ৰাইজে বাহিনী আৰু ভৰলু নৈ খনন কৰিবলৈ চৰকাৰক দাবী জনোৱা বিষয়টোতো বৰঠাকুৰে গুৰুত্ব আৰোপ কৰে। আপৰ জ্যেষ্ঠ নেত্ৰী অনুৰূপা ডেকাৰজাই ইমানদিনে গুৱাহাটীৰ বান সমস্যাক লৈ ৰাজ্য চৰকাৰে কৰি অহা ল'ৰা ধেমালিৰ সমালোচনা কৰে। গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচন আৰু বিধান সভা নিৰ্বাচনৰ পূৰ্বে গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা বিজ্ঞান সন্মত ভাবে সমাধান কৰাৰ ভুৱা প্ৰতিশ্ৰুতি দিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পদত্যাগ দাবী কৰে আপৰ নেত্ৰী গৰাকীয়ে। ৰাজ্য তথা মহানগৰ বান পীড়িত তথা দুৰ্গত লোকৰ স্বাৰ্থত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অবিলম্বে নিৰ্বাচনী প্ৰতিশ্ৰুতি পালন কৰিবলৈ আহ্বান জনায় ডেকাৰজাই। ৰমেন বৰঠাকুৰ আৰু অনুৰূপা ডেকাৰজাৰ উপৰি আপৰ নেতা সৌৰভ কলিতা, প্ৰবীন শৰ্মা, জিতু ডেকাৰ লগতে আন বহুকেইগৰাকী কৰ্মকৰ্তাই একাঠু পানীৰ মাজত নামি ৰুক্মিণী গাঁৱৰ অঞ্চলৰ দুৰ্দশাগ্ৰস্ত ৰাইজৰ পৰিস্থিতিৰ বুজ লয়।

# বৰষুণ বনাম অপৰাধ

উদ্ৰেক ঘটাইছে। সুক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলেই সমাজৰ চৌদিশে গা কৰি উঠা বিভিন্ন ধৰণৰ উপৰাধ ভয়ানক ছবিখন স্পষ্ট ৰূপত আমাৰ চকুৰ সন্মুখত ভাঁহি উঠিব যি এখন সুস্থ সমাজৰ প্ৰতিবন্ধক স্বৰূপ। প্ৰায় প্ৰত্যেক দিনাই গাৰ নোম শিয়ঁৰাই তোলা বিভিন্ন ভয়ানক অপৰাধৰ খবৰ বোৰে এখন সৰ্বাঙ্গীন সুন্দৰ, সুস্থ সবল সমাজৰ সপোন বোৰত যতি পেলাইছে, সচাঁ অৰ্থত দহৰ উন্নতিৰ হকে কাম কৰা সকলৰ চিন্তধাৰাত আউল লাগাইছে। কিহৰ বাবে এই অপৰাধ প্ৰৱণতাই এনেদৰে ভয়ানক ভাবে গা কৰি উঠিছে, বৰ্তমানৰ এটা অতি স্পৰ্শকাতৰ তথা বিশ্লেষণৰ মূল বিষয়। মূল্যবৃদ্ধিৰ মাধমাৰ, উচ্চাকাংখ্যা তথা নানা ধৰণৰ নিচাৰ প্ৰতি থকা আসক্তিয়েই বিভিন্ন সময়ত ভিন ভিন অপৰাধৰ মূল উৎস নহয়তো? অনেক সময়ত নিজৰ নিজৰ বিকৃত চখ পূৰণ কৰিবলৈও বিভিন্ন অপৰাধ সংঘটিত হোৱা দেখা যায়।

চৰকাৰ তথা প্ৰশাসনে অতি শীঘ্ৰেই কঠোৰতম স্থিতি গ্ৰহন নকৰিলে সমাজত বিভিন্ন অপৰাধ তথা অপৰাধীৰ গিজিগিজনী নিয়ন্ত্ৰণ কৰা অসম্ভৱ হৈ পৰিব।শূন্য সহনশীলতাৰে অপৰাধীক দমন নকৰিলে অদূৰ ভৱিষ্যতে নৱ প্ৰজন্মৰ বাবে এক সুস্থ-সবল, সৰ্বাঙ্গ সুন্দৰ সমাজ মাথো অলীক সপোন।

'সাৱধানতাৰ মৰণ নাই
বাছি খাবা, জাগি শুবা'

কথা কেইষাৰ সৰোগত কৰি আমি আমাৰ প্ৰত্যেকটো কথা, কামত যদি সাবধানতা অবলম্বন নকৰিলো, অপৰাধৰ ৰম্য ভূমিত পৰিণত হোৱা সমাজখনত পদে পদে বিপদত পৰাতো নিশ্চিত। বিভিন্ন ধৰণৰ কষ্ট, ত্যাগ স্বীকাৰ কৰি সঁজাই তোলা সপোনৰ ঘৰখন তথা কষ্টোপাৰ্জিত সম্পদ সমূহৰ ওপৰত সমাজবিৰোধী এচাম দুস্কৃতিকাৰীৰ নিৰন্তৰ শেন চকু, লুট পাট চলোৱাৰ চক্ৰান্ত।

সময় নাই অসময় নাই বৰষুণে যেনেদৰে আমাক জ্বলা কলা খুৱাইছে বৰ্ধিত অপৰাধ সমূহেও আমাৰ চকুৰ টোপনি হৰণ কৰিছে।

# দৰঙত লোক কল্যাণ

মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ কৰ্মৰাজি আৰু অৱদানৰ ওপৰত আলোকপাত কৰে। জিলা আয়ুক্তগৰাকীয়ে গ্ৰুপিঙৰ সময়ত বৰদলৈয়ে গ্ৰহণ কৰা ভূমিকাই অসমক কিদৰে ৰক্ষা কৰিলে সেই বিষয়ে উল্লেখ কৰে। ৰাজ্যখনত উচ্চন্যায়ালয়, বিশ্ববিদ্যালয় আদি স্থাপনৰ ক্ষেত্ৰতো বৰদলৈৰ ভুমিকাৰ কথাও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। লোক কল্যাণ দিৱস পালনে আধুনিক অসমৰ অন্যতম নিৰ্মাতা লোকপ্ৰিয় বৰদলৈৰ জীৱন আৰু আদৰ্শৰে উদ্বুদ্ধ হৈ সমাজৰ হিতৰ কাৰণে কাম কৰি যাবলৈ সকলোকে প্ৰেৰণা যোগাব বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত বিশিষ্ট বক্তা হিচাপে উপস্থিত থাকি মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বিচিত্ৰ কুমাৰ মেধিয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ শৈক্ষিক জীৱন, স্বাধীনতা সংগ্ৰামীৰূপে তেওঁৰ ভুমিকা, স্বাধীনোত্তৰ অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰীৰূপে আগবঢ়োৱা তেওঁৰ অৱদান আদিৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰে। এগৰাকী মহান সংগঠক, জনপ্ৰিয় নেতা আৰু সুপ্ৰশাসকৰূপে খ্যাত লোকপ্ৰিয় বৰদলৈয়ে দেশ বিভাজনৰ সময়ত অসমক পুব পাকিস্তানত চামিল হোৱাৰ পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভুমিকাৰ কথাও তেওঁ উল্লেখ কৰে। উক্ত অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে দৰঙৰ জিলা আয়ুক্ত মানস কুমাৰ শইকীয়াই। অনুষ্ঠানৰ আৰম্ভণিতে সভাত উপস্থিত বিশিষ্ট ব্যক্তিসকলে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা নিবেদন কৰে। সভাত মঙলদৈ নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰতাপ বৰদলৈ, দৰঙৰ অতিৰিক্ত জিলা আয়ুক্তকেইগৰাকীৰ লগতে জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী, বিশিষ্ট নাগৰিক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। জিলা আয়ুক্তগৰাকীয়ে মঙলদৈত অৱস্থিত গোপীনাথ বৰদলৈ উদ্যানত থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে।

# মাজুলী জিলা আইন

সজাগতা সভা জেংৰাইমুখ অঞ্চলত অনুষ্ঠিত কৰি উঠি অহা প্ৰজন্মক আইন সম্পৰ্কীয় সজাগ কৰি তুলিবলৈ যি কাৰ্যসূচী হাতত ল'লে তাৰ বাবে আইন সেৱা প্ৰাধিকাৰণৰ ধন্যবাদ জ্ঞাপন কৰে অঞ্চলটোৰ সচেতন ৰাইজে । এই সজাগতাই সমগ্ৰ জেংৰাইমুখ অঞ্চলত এক জাগৰণ আনিব বুলি আশা প্ৰকাশ কৰাৰ লগতে মাজুলীৰ বিভিন্ন প্ৰান্তত এনে সভা অনুষ্ঠিত কৰাৰ পোষকতা কৰে সভাখনিত উপস্থিত সচেতন ব্যক্তি সকলে ।

ENGLISH NEWS SECTION

# Assam Governor plants sapling as a part of "Ek Ped Maa Ke Naam" campaign



Guwahati, RB News: As part of the "Ek Ped Maa Ke Naam" campaign launched by Prime Minister Shri Narendra Modi, Assam Governor Shri Lakshman Prasad Acharya planted a sapling in honor of his mother at Raj Bhavan campus. Highlighting the personal and collective responsibility to increase green cover of the nature, Governor Shri Acharya said, "I have planted a sapling in my mother's name, and I encourage everyone to do the same. By planting a sapling, we can significantly contribute to our green environment." The Governor also called upon the people especially the younger generation to actively involve themselves in the noble cause planting more trees and safeguarding the ecosystem. First Lady of Assam, Smt. Kumud Devi, also participated in the event by planting a sapling. Commissioner and Secretary to the Governor, SS Meenakshi Sundaram, Secretary to the Governor, Kabita Deka and officials and Staff of Raj Bhavan attended the event.

# Officials of Raj Bhavan bids farewell to former Governor Shri Gulab Chand Kataria




Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya and First Lady of Assam Smt.Kumud Devi along with the officers and staff of Raj Bhavan bade farewell to outgoing Governor Shri Gulab Chand Kataria at a function held at Raj Bhavan premises here today. Governor Shri Acharya congratulated Shri Kataria on being appointed as the Governor of Punjab and also wished him the very best for all his future endeavours. He also said that under the able leadership and guidance of Shri Kataria, Punjab would prosper and contribute to the development of the nation. He wished him a long and healthy life ahead. Former Governor of Assam Shri Gulab Chand Kataria in his speech said that his tenure in Assam was very fulfilling. He also said that the state has a rich history and its people are very cultured with high moral values. He also thanked Raj Bhavan officials for their unstinted support during his stay as Governor of Assam. It may be mentioned that Shri Kataria was appointed as Assam Governor on 22 February 2023 and served in this position for a year and seven months. The function was attended by The First Lady of Assam Smt. Kumud Devi, former First Lady of Assam Smt. Anita Kataria, Commissioner and Secretary to the Governor SS Meenakshi Sundaram and officials and staff of Raj Bhavan.

# Governor visits Bhimashankar temple



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya along with the First Lady Smt. Kumud Devi visited and paid obeisance at Bhimashankar temple.Governor Shri Acharya prayed for the welfare and contentment of all sections of the people of the state.

# Aman Sehrawat India's youngest Olympic medallist at 21



RB News: Wrestler Aman Sehrawat became India's youngest individual medallist in the history of Olympics after he bagged bronze in the men's 57kg freestyle wrestling event at Paris Olympics. The 21-year-old beat Puerto Rican wrestler Darian Cruz in bronze medal match. Notably, Aman was the sole male Indian wrestler at Paris Olympics.

# Sri Lanka beat India by 110 runs



RB News: Charith Asalanka-led Sri Lanka defeated Rohit Sharma-led India by a whopping 110 runs in the third ODI match at Colombo on Wednesday. With this, they won he series by 2-0, as the first match resulted in a tie. Chasing a target of 249 runs, India were ALL OUT in 138 runs in just 26.1 overs. For India, skipper Rohit Sharma scored 35 off 20 balls and Washington Sundar hit 30 off 25 deliveries. Apart from this no other batter could cross 20 runs, including Virat Kohli. For Sri Lanka, Dunith Wellalage picked up 5 wickets, while Maheesh Theekshana and Jeffrey Vandersay took 2 wickets each. Asitha Fernando clinched one wicket.

# Wrestler Reetika lose quarter-final



RB News: India's 21-year-old wrestler Reetika lost to world number one Aiperi Medet Kyzy of Kyrgyzstan in the quarter-finals of the women's freestyle 76kg event at Paris Olympics. Both the wrestlers had 1-1 technical points after the six-minute bout. However, Aiperi was declared winner as she scored the last technical point. For this, she received two classification points and won the bout.

# কেৰালাৰ ভয়াৱহ ভূমিস্খলনত বিধ্বস্ত অঞ্চলৰ আকাশমাৰ্গেৰে সমীক্ষা চলাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেৰালাৰ ৱায়ানাড়ৰ ভয়াৱহ ভূমিস্খলনত বিধ্বস্ত অঞ্চলৰ আকাশমাৰ্গেৰে সমীক্ষা চলায়। ভয়াৱহ ভূমিস্খলনত ৪০০তকৈ অধিক লোক নিহত হোৱাৰ লগতে কেইবাশতাধিক লোক আহত হোৱা এই ভয়াৱহ প্ৰাকৃতিক দুৰ্যোগত বিধ্বস্ত অঞ্চল আকাশীমাৰ্গেৰে সমীক্ষা চলোৱাৰ অন্তত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাহায্য শিবিৰ আৰু চিকিৎসালয় পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰী গৰাকীয়ে সাহায্য শিবিৰত ভয়াৱহ ভূমিস্খলনৰ পৰা কথমপি প্ৰাণৰক্ষা পৰা লোকৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে চিকিৎসালয়ত আহত সকলৰ বুজ লয়। পৰিদৰ্শনৰ অন্তত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৱায়ানাড়ৰ বিপৰ্যয় স্বাভাৱিক নহয় বুলি উল্লেখ কৰি অঞ্চলটো পুনৰ নিৰ্মাণ আৰু ক্ষতিগ্ৰস্তক পুনৰ সংস্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো সম্ভাব্য সাহায্য আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাহায্য শিবিৰ আৰু চিকিৎসালয় পৰিদৰ্শনৰ অন্তত কয়-'ভূমিস্খলনত হোৱাৰ পাছতেই মোক এই বিষয়ে অৱগত কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ সকলো সংস্থাক এই দুৰ্যোগৰ সময়ত সহায় কৰিবলৈ শীঘ্ৰেই নিৰ্দেশ দিয়া হৈছিল। এই বিপৰ্যয় স্বাভাৱিক নহয়। সহস্ৰাধিক পৰিয়ালৰ সপোনবোৰ ভাঙি-ছিঙি চুৰমাৰ হৈ গৈছে। ঘটনাস্থলীৰ পৰিস্থিতি মই দেখা পাইছোঁ। সাহায্য শিবিৰত দুৰ্যোগৰ সন্মুখীন হোৱা লোকক সাক্ষাৎ কৰিছোঁ। চিকিৎসালয়ত আহতৰ স্বাস্থ্যৰ বুজ লৈছোঁ।' উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৱায়ানাড় জিলাৰ বিধ্বস্ত অঞ্চলৰ চূড়ালমালা



পৰিদৰ্শন কৰে। পুৱা ৱায়ানাড়ৰ বিমানবন্দৰত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাজ্যখনৰ ৰাজ্যপাল আৰিফ মহম্মদ খান, মুখ্যমন্ত্ৰী পিনাৰায়ি বিজয়নে আদৰণি জনোৱাৰ পাছত বায়ুসেনাৰ বিমানেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ক্ষতিগ্ৰস্ত অঞ্চলৰ সমীক্ষা চলায়।






ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286